# চাপটগ্ৰাম মহাবিদ্যালয় আলোচনী

পঞ্চদশ সংখ্যা

১৯৯৮—৯৯ ইং বৰ্ষ

# SAPATGRAM COLLEGE MAGAZINE

VOL—XV

1998 – 99

: তত্ত্বাৱধায়ক :
দীনেশ কলিতা

।। সম্পাদিকা ।।
পূৰৱী অধিকাৰী

# চাপটগ্ৰাম মহাবিদ্যালয় আলোচনী

পঞ্চদশ সংখ্যা

১৯৯৮—৯৯ ইং বৰ্ষ

# SAPATGRAM COLLEGE MAGAZINE

VOL- XV

1998 – 99

: তত্বাৱধায়ক :

দীনেশ কলিতা

।। সম্পাদিকা ।।

পুৰবী অধিকাৰী

SAPATGRAM COLLEGE MAGAZINE VOL – XIV 1998 – 99

## সম্পাদনা সমিতি

সভাপতি – শ্ৰীযুত নিৰঞ্জন ৰায় (অধ্যক্ষ)

তত্ত্বাৱধায়ক — দীনেশ কলিতা (প্ৰবক্তা)

বিভাগীয় উপদেষ্টা –

অসমীয়া বিভাগ – তত্ত্বাৱধায়ক, (প্ৰবক্তা)

ইংৰাজী বিভাগ – শ্ৰীসুমন কুমাৰ পানিগ্ৰাহী (প্ৰবক্তা)

বাংলা বিভাগ – ড' সুভাষ চন্দ্ৰ শাসমল (প্ৰবক্তা)

সম্পাদিকা – পুৰবী অধিকাৰী

সদস্য/সদস্যা –

প্ৰকাশক – চাপটগ্ৰাম মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ হৈ সম্পাদনা সমিতি

## —অৰ্পন—

যি সকল ব্যক্তিৰ অক্লান্ত শ্ৰম আৰু মহান ত্যাগৰ বিনিময়ত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান 'চাপটগ্ৰাম মহাবিদ্যালয়' প্ৰতিষ্ঠিত হৈছিল সেইসকল জ্ঞাত-অজ্ঞাত বৰেণ্য ব্যক্তিৰ কৰকমলত পঞ্চদশ সংখ্যা আলোচনী' সভক্তিৰে অৰ্পন কৰিলোঁ।।

পুৰবী অধিকাৰী
সম্পাদিকা

## —ঃ স্বহীদ তৰ্পণ ঃ—

"দেশৰ সাৰ্বভৌমত্ব আৰু স্বাধীনতা ৰক্ষাৰ লগতে অসমৰ ভাষা -সংস্কৃতি ৰক্ষাৰ্থে যি সকল বীৰ বীৰাঙ্গনাই আত্মাহুতি দিলে, - জ্ঞাত অজ্ঞাত সেই সকল স্বহীদালৈ জনালো আমাৰ অশ্ৰু-অঞ্জলি'

চাপটগ্ৰাম মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক, অধ্যাপিকা,
কৰ্মচাৰী বৃন্দ আৰু সমূহ ছাত্ৰ-ছাত্ৰীৰ হৈ
পুৰবী অধিকাৰী, সম্পাদিকা

প্ৰতি,

স্নেহভাজন,

সম্পাদিকা, চাপটগ্ৰাম মহাবিদ্যালয়ৰ পঞ্চদশ সংখ্যা আলোচনী।

চাপটগ্ৰাম মহাবিদ্যালয়ৰ 'পঞ্চদশ সংখ্যা' আলোচনী প্ৰকাশৰ পথত বুলি জানিব পাৰি বৰ সুখী হৈছোঁ। লগতে বিগত ১৯৯৮ আৰু ১৯৯৯ ইং চনত অনুষ্ঠিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সমগ্ৰ অসমৰ ভিতৰত শ্ৰীৰাজু মণ্ডল আৰু শ্ৰীইন্দ্ৰজিৎ কলিতাই যথাক্ৰমে দ্বিতীয় আৰু নৱম স্থান লাভ কৰি মহাবিদ্যালয়খনৰ বিদ্যায়াতনিক দিশৰ যি চৰম উৎকৰ্ষতা দেখুৱালে সেই বাবে মই স্থানীয় বিধায়ক তথা উক্ত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপে গৌৰৱ অনুভৱ কৰিছোঁ।

শেষত আলোচনী খনে সাহিত্যৰ পথ-প্ৰদৰ্শক হওঁক এয়ে কামনা কৰিলোঁ। ইতি—

স্বাঃ আলী আকবৰ মিঞা।

বিধায়ক, বিলাসীপাৰা পশ্চিম সমষ্টি-তথা

সভাপতি, চাপটগ্ৰাম মহাবিদ্যালয় পৰিচালনা সমিতি।

তাং—২১/১২/৯৯

দিছপুৰঃ গুৱাহাটী

ডঃ হীৰালাল দুৱৰা,
উপাচাৰ্য্য
গুৱাহাটী বিশ্ববিদ্যালয়

গোপীনাথ বৰদলৈ নগৰ
গুৱাহাটী বিশ্ববিদ্যালয়
গুৱাহাটী—৭৮১০১৪

দিনাংক ঃ

প্ৰিয় সম্পাদক/সম্পাদিকা,

জাতি-গঠনৰ প্ৰক্ৰিয়াত কলা-কৃষ্টিলৈ আগবঢ়োৱা অৱদানে সদায়ে মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে। প্ৰত্যেক ব্যক্তি, অনুষ্ঠান আৰু সমাজৰ বিভিন্ন চিন্তাধাৰা প্ৰকাশ কৰি সবল জনমত গঢ় দিয়াত আলোচনীসমূহৰ দায়িত্ব গুৰুত্বপূৰ্ণ। এনে মহৎ প্ৰচেষ্টা ফলৱতী কৰাত সম্পাদকসকলৰ গুৰু দায়িত্ব অনস্বীকাৰ্য্য। সমাজ আৰু দেশৰ প্ৰগতিত আলোচনী সমূহে সদায়ে বলিষ্ঠ নেতৃত্ব দি যাওক—তাৰ বাবে মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

( হীৰালাল দুৱৰা )

# শুভেচ্ছা বাণী

স্নেহৰ সম্পাদিকা,

তোমাৰ সুদক্ষ সম্পাদনাত প্ৰকাশ হবলৈ ওলোৱা পঞ্চদশ সংখ্যা চাপটগ্ৰাম মহাবিদ্যালয়' আলোচনী খনলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ। আলোচনীখন নবীন প্ৰবীন সকলো স্তৰৰ সাহিত্যসেৱীৰ প্ৰেৰনাৰ উৎস হোৱাৰ উপৰিও আলোচনী সাহিত্যৰ ইতিহাসত এক অভিনৱ সংযোজন ৰূপে স্বীকৃতি লাভ কৰক যাতে আলোচনীখনৰ মাধ্যমেৰে আমাৰ এই পিছপৰা অঞ্চলটিৰ শিক্ষানুষ্ঠানটি দেশৰ বুকুত জ্ঞানোদ্দীপ্ত ভাস্কৰ ৰূপে উজ্বলি উঠে ; এয়ে আমাৰ কামনা।

নিৰঞ্জন ৰায়
ভাৰপ্ৰাপ্ত অধ্যক্ষ : চাপটগ্ৰাম মহাৰিদ্যালয়



শ্ৰীনিৰঞ্জন ৰয়, এম, এ, বি-টি
অধ্যক্ষ, (ভাৰপ্ৰাপ্ত),

"কৰ্মই যাৰ জীৱন"



“ চাপটগ্ৰাম মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য-সদস্যা বৃন্দ ”
১৯৯৮-৯৯ ইং চন

১ম শাৰী ঃ (বহি, বাওঁ ফালৰ পৰা ক্ৰমে) *শ্ৰীঅমিত কীৰ্ত্তনীয়া* (সম্পাদক গুৰুখেল বিভাগ), *শ্যামল কৰ্মকাৰ* (সাধাৰণ সম্পাদক), *জিতু কলিতা* (সম্পাদক সমাজ সেৱা বিভাগ), *বিকি গুপ্তা* (সম্পাদক ছাত্ৰ জিৰণী কোঠা)।

২য় শাৰী ঃ (থিয় হৈ বাওঁফালৰ পৰা ক্ৰমে) *পূৰবী অধিকাৰী* (সম্পাদিকা, কলেজ আলোচনী) *পিংকি পাল চৌধুৰী* (সম্পাদিকা ছাত্ৰী জিৰণী কোঠা)।



(L to R) Profs :- S. Sasmal, S.K. Panigrahi, M. Sarkar. P. Guha Agarwala, D. Kalita. N. Ray (Principal), A. K, Sangupta, S.P. Mukharjee. M Haque Choudhury. R.L, Das, S. Saha. N. I. Mandal. I. Sarkar. G. Saha.

(2nd) L Chatri. S Barman, S Bapari S Datta, R. Das, S, Bhattacharjee, S, Chanda, N Datta, prof, D. Saharia, D. Bardalai, A. Adhikary, B Ray.

## তত্ত্বাৱধায়ক অধ্যাপকৰ কলম ঃ



যি কোনো সৃষ্টিশীল কৰ্ম সুচাৰুৰূপে সম্পাদন কৰিবলৈ হলে তাৰ বাবে লাগে একান্ত সাধনা আৰু প্ৰেৰনা। 'চাপটগ্ৰাম মহাবিদ্যালয় আলোচনী' ৰ এই সংখ্যাটো সাহিত্যানুৰাগী সকলৰ মনৰ খোৰাক যোগাব পৰাকৈ প্ৰকাশ কৰি উলিয়াবলৈ যথাসম্ভৱ চেষ্টা কৰা হৈছিল। প্ৰকাশ যোগ্য ৰচনা-সম্ভাৰ বিচাৰি একাধিকবাৰ জাননী দিয়া হৈছিল। আলোচনীখনৰ প্ৰতি আগ্ৰহ আনুগত্যহীনতাৰ বাবে হওক বা সৃজনী প্ৰতিভাৰ দৈন্যৰ বাবে হওক নিৰ্দ্ধাৰিত সময়ত ৰচনা বোৰ নাপাই এক প্ৰকাৰ আমি হতাশ হৈ পৰিছিলো; হেৰাই গৈছিল আমাৰ অদম্য প্ৰেৰনা। আলোচনীখনে প্ৰকাশ লাভ কৰাত বিলম্ব হোৱাৰো কাৰণ এয়ে। শেষত যেনিবা সম্পাদিকা, সাংস্কৃতিক বিভাগৰ সম্পাদক আৰু আমাৰ বিশেষ প্ৰচেষ্টাত কেইটামান লেখা সংগ্ৰহ হ'ল যদিও সিবোৰ কিমানখিনি প্ৰকাশোপযোগী ৰচনাৰ শাৰীত পৰে পঢ়ুৱৈ সমাজে তাৰ বিচাৰ কৰিব।

আমাৰ মহাবিদ্যালয়ত প্ৰতিভাবান ছাত্ৰ ছাত্ৰীৰ লগতে চৰ্চাকাৰী অধ্যাপক অধ্যাপিকা নথকা নহয়। অন্য বছৰবোৰৰ কথা এৰিও বিগত ১৯৯৮ আৰু' ৯৯ দুয়োটো বছৰতে উচ্চতৰ মাধ্যমিক (কলা শাখা) চূড়ান্ত পৰীক্ষাত এইখন মহাবিদ্যালয়ৰ ছাত্ৰই সমগ্ৰ অসমৰ ভিতৰতে যথাক্ৰমে দ্বিতীয় আৰু নৱম স্থান অধিকাৰ কৰিবলৈ সমৰ্থ হৈছে। ই তেনেই শিক্ষানুষ্ঠানটি তথা অঞ্চলটিৰ বাবে গৌৰৱৰ আৰু আনন্দৰ বিষয়। শিক্ষানুষ্ঠানটিৰ এই ঈৰ্ষণীয় সাফল্যৰ মূলতে অধ্যক্ষ, অধ্যাপক অধ্যাপিকা সকলৰ অৱদানৰ কথা নকলোৱেবা।

বিদ্যায়তনিক দিশৰ উৎকৰ্ষতাৰ লগে লগে প্ৰতিভাৰ পূত-স্থান এই মহাবিদ্যালয়ৰ 'আলোচনী' খনো এখন অতি লেখত লবলগীয়া 'আলোচনী' হোৱাটো বাঞ্ছনীয়। কিন্তু সেইফেৰা কৃতিত্বৰ দাবী কৰাটো বৰ নিৰাপদ নহয়। কাৰন আলোচনীখনত ঠাই পোৱা প্ৰতিটো লেখাই সৃষ্টিশীল আৰু পঠন-সুখ-সমৃদ্ধ বুলি আমি ক'ব নোৱাৰো। অৱশ্যে কেইটামান গল্প কবিতা-প্ৰবন্ধই নিশ্চয় পাঠকৰ অন্তৰ পৰশিব। যিকোনো শিক্ষানুষ্ঠানৰ আলোচনীখন উচ্চমান বিশিষ্ট কৰি গঢ়ি তুলিবলৈ হলে ছাত্ৰ ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী সকলৰো এটা দায়িত্ব থাকে। আমাৰ মহাবিদ্যালয়ত সাহিত্যিক হিচাবে প্ৰতিষ্ঠা লভা দুই এজন অধ্যাপক অধ্যাপিকা নথকা নহয়; কিন্তু সেই হিচাবে এই-সকল প্ৰতিভাবানৰ পৰা আলোচনী খনলৈ বুলি যিখিনি সঁহাৰি পোৱা গেছে সেয়া হবি-

ষ্যতৰ বাবে আশা ব্যঞ্জক নহয়। আনহাতে নতুনকৈ লেখা মেলাত আত্মনিয়োগ কৰিব খোজা কিছুমান ছাত্র-ছাত্রীৰ আকৌ বৰ্তমান সাহিত্যৰ গতি-প্ৰকৃতি সম্পৰ্কে বিশেষ ধাৰনা নাই যেন বোধ হয়। তেওঁলোকৰ অধ্যয়ন পৰিসৰ চুথলগাকৈ সীমিত। অধ্যয়নৰ ক্ষেত্ৰখন কিছু বহলাই লৈ লেখা-মেলাত বহিলে আমাৰ বিদ্যা নিকেতনৰ পৰা ভৱিষ্যতে নিশ্চয় সুসাহিত্যিক ওলাব—বিদ্যায়তনিক দিশত যেনেকৈ ওলাইছে।

আমাৰ হাতত পৰা আটাইখিনি ৰচনাৰ মানদণ্ড প্ৰকাশৰ মুখ দেখাৰ পৰ্য্যায়ৰ নাছিল। তাৰ মাজতে বাচনি সমিতিৰ মজিয়া গৰকি যি কেইজনৰ গল্প কবিতা প্ৰবন্ধই প্ৰকাশৰ মুখ দেখিলে - তেওঁলোকলৈ জনালো আন্তৰিক অভিনন্দন। আনহাতে সীমিত বাজেটেৰে আলোচনীখন প্ৰকাশ কৰিবলগীয়া হোৱাত পৃষ্ঠা সংখ্যা হ্ৰাস কৰিবলগীয়া হৈছে - যিটো কাৰনত গোটাদিয়েক ৰচনাক আলোচনীখনত ঠাই দিব পৰা নগল। তাৰ বাবে আমি দুঃখিত হোৱাৰ উপৰি ক্ষমা মাগিছোঁ।

পৰিশেষত আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন দিশত হৈ যোৱা ভুল ক্ৰটীৰ বাবে সকলোৰে ওচৰত পুনঃ ক্ষমা বিচাৰি কলম সামৰিলোঁ।

ইতি—

তাং ২৩-১১-৯৯ ইং

দীনেশ কলিতা
তত্বাবধায়ক অধ্যাপক
চাপটগ্ৰাম মহাবিদ্যালয় আলোচনী
পঞ্চদশ সংখ্যা



# সম্পাদকীয়

## “সাহিত্য জাতিৰ দাপোন হওক”

এজন বিখ্যাত সমালোচকে কৈছে—“Show me a book and I will tell you at once the history of the nation” অৰ্থাৎ মোক এখন কিতাপ দেখুওৱা, সেইখন পঢ়িয়ে মই সেই জাতিৰ (সভ্যতাৰ) ইতিহাসৰ বিষয়ে কৈ দিম।” এই কথাষাৰৰ মাজত আওপকীয়াকৈ সোমাই থকা পৰে সাহিত্য সম্পৰ্কে থকা সেই অমৃত বাণীষাৰ—“সাহিত্য জাতিৰ দাপোন স্বৰূপ।” যিখন সমাজৰ পটভূমিতে সাহিত্যিকে সাহিত্য ৰচনা কৰে সেই সমাজৰ স্পষ্ট ছবি এখন তেওঁৰ ৰচনাত কালসম্মত ৰূপত পৰিস্ফুট হ’ব লাগে। এই কথাৰ আঁত ধৰি বিগত দুটা দশকৰ অসমীয়া সমাজখনলৈ লক্ষ্য কৰিলে দেখা যায় যে- এই কাল ডোখৰ অতিক্ৰান্ত কৰা অসমীয়া সমাজখন এক প্ৰকাৰ বিপন্ন সমাজ বুলিয়ে ক’ব পাৰি। আন্দোলন বন্ধ-হৰতাল, হত্যা-চুৰি-ডকাইতি, ধৰ্ষন অপহৰন, দুনীতি দ্ৰব্যমূল্য বৃদ্ধি আদি এনে এবিধ সমস্যাৰে অসমীয়া সমাজ-জীৱন বিধস্ত। কিন্তু বিগত কুৰিটা বছৰে অসমীয়া সাহিত্যিক সকলৰ কাপৰ পৰা ওলোৱা সৃষ্টি ৰাজিত নিত্য-নিঠুৰ দ্বন্দ্বেৰে আক্ৰান্ত অসমীয়া সমাজখনক বিচাৰি চালে একপ্ৰকাৰ হতাশ হ’বলগীয়া হয়। প্ৰায় সমগ্ৰ পৃথিৱীৰ দৃষ্টি আকৰ্ষন কৰা ছবছৰীয়া অবৈধ বিদেশী বিতাড়ন কৰিবলৈ কৰা ‘অসম আন্দোলন’ টোক প্ৰতিফলিত কৰিব পৰা দলিল স্বৰূপ এখন ভাল সাহিত্য পুথি আজিলৈ ৰচিত নহল বুলিয়ে ধৰিব পাৰি। অথচ এটা সঁচা অৰ্থত, ৰাষ্ট্ৰীয় সংকটৰ পটভূমিতে আন্দোলনটো আৰম্ভ হৈছিল—যিটো আন্দোলন বৰ্তমান ৰাষ্ট্ৰীয় পৰ্য্যায়ত গঢ় দিয়াৰ চিন্তা-চৰ্চাও কৰিবলগীয়াৰ দৰে পৰিস্থিতিৰ উদ্ভৱ হৈছে। এক কথাত কবলৈ হলে অসমৰ মাটিৰ গোন্ধ থকা সাহিত্য-পুথিৰ সংখ্যায় আজি এটা আঙুলিও নোজোৰে।

অসমত সেই বুলি যে তেনে প্ৰতিভাবান সাহিত্যিক নাই সেয়া নহয়। টলষ্টয়, মেক্সিম গৰ্কী, ৰুছ, ভল্টেয়াৰ আদিৰ প্ৰতিভাৰ সমকক্ষ প্ৰতিভাধৰ অসমত থাকক বা নাথাকক; কিন্তু এই সকলৰ প্ৰতিভাক চুব পৰা প্ৰতিভা অসমত নথকা নহয়। অসমৰ বেছিভাগ সাহিত্যিকৰ বিচৰন ক্ষেত্ৰ বৰ্তমান সুদূৰ অতীতৰ পুৰাণ-মহাকাব্য, নহয়; বিদেশী সাহিত্যৰ ৰস-ক্ষেত্ৰ। দেশীয় সাহিত্যক বিকশিত কৰি তোলাত অৱশ্যে ইবোৰৰ প্ৰয়োজন নথকা নহয়; কিন্তু বাস্তৱতাক আওকান কৰিলে সাহিত্যৰ ধাৰাবাহিক গতি স্তব্ধ হ’ব সাহিত্যৰ ইতিহাসত শূন্যতা আহিব। আজিৰ সাহিত্যিকে বাস্তৱক কলা সম্মত কৰি পাঠকৰ সন্মুখত তুলি ধৰক;

অসমীয়া সাহিত্যত অসমৰ বাস্তৱ সমাজ প্ৰতিফলিত নহক। অসমীয়া সাহিত্যক অসমৰ-মাটিৰ সুগন্ধ অসমীয়া পাঠকে বিচাৰি পাওক-এয়ে আমাৰ আশা। "অসমীয়া সাহিত্য অসমীয়া জাতিৰ দাপোন হওক-এয়ে আমাৰ কামনা।

সম্পাদিকা হোৱাৰ বাবেতঃ আমাৰ মহাবিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰীৰ স্নেহ-মমতাই আমাৰ দৰে সামান্যা জনীক আলোচনীৰ সম্পাদিকাৰ দৰে এটি গুৰুত্বপূৰ্ণ পদত বহুৱালে তেওঁ লোককৈ মই এই ছেগতে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। তেওঁলোকৰ আশাৰ কুসুম কলিটিক কিমান খিনি বিকশিত কৰিব পাৰিছো- আলোচনীখনক আনুগত্যেৰে আদৰি ললেহে সেইটো বুজিব পাৰিম। আমি হলে চেষ্টাৰ অকনো ত্ৰুটী কৰা নাই।

সম্পাদনাৰ বিষয়ে আমাৰ-চেৰেকঃ আলোচনীখন সম্পাদনা কৰিবলৈ গৈ দুটা মৌলিক সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। এক হ'ল-আলোচনীখন অলংকৰণৰ সমস্যা। প্ৰত্যক্ষ অভিজ্ঞতাৰ পৰা এটা কথা ক'ব পৰা হৈছে যে-আমাৰ ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক-অধ্যাপিকা সকলে আলোচনীখনলৈ বুলি স্বাগ্ৰহে প্ৰবন্ধ আদি লিখিব খোজাৰ অভাৱ। কেইটামান লেখা বাৰ বাৰ কৈ মিলি সংগ্ৰহ কৰা হৈছে। আনহাতে প্ৰকাশ যোগ্য ৰচনাৰ অভাৱ। প্ৰকাশ কৰা কেইটাকো আকৌ অৰ্থাভাৱৰ অলংকৰণেৰে অলংকৃত কৰিব পাৰিছো বুলি দাবী কৰিব নোৱাৰো। ভৱিষ্যতে সকলোৱে 'আলোচনী' খনলৈ সুদৃষ্টি পেলাই যেন। এয়ে আমাৰ কামনা।

পৰিশেষত, এই সংখ্যালৈ যিসকলে লেখা পঠিয়াইছে তেখেতসকলৈ জনালো আন্তৰিক অভিনন্দন। অৰ্থাভাৱত আলোচনীখন ক্ষুদ্ৰ কলেৱৰ বিশিষ্ট কৰিব লগীয়া হোৱাত যি সকলৰ লেখা প্ৰকাশ কৰিব পৰা নগল তেখেত সকলৰ ওচৰত ক্ষমা বিচৰাৰ উপৰিও সম্পাদনাৰ ক্ষেত্ৰত কৈ যোৱা ভুলৰ বাবেও সদৌটিৰ ওচৰত ক্ষমা বিচাৰিলোঁ। ইতি-



পুৰবী অধিকাৰী

সম্পাদিকা, চাপৰগ্ৰাম মহাবিদ্যালয় আলোচনী
পঞ্চদশ সংখ্যা
তাং-২ ১২ ৯৯

# প্ৰতিবেদন

## তৰ্ক আৰু সাংস্কৃতিক বিভাগ

চাপৰগ্ৰাম মহাবিদ্যালয়ৰ ১৯৯৮-৯৯ ইং ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সমূহ ছাত্ৰ ছাত্ৰী তথা বন্ধু বান্ধবীৰ অকৃত্ৰিম উৎসাহ আৰু মৰমে মোক তৰ্ক আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত কৰি সুযোগ আৰু দায়িত্ব দিয়া বাবে তেওঁ লোককৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। নাজানো, দায়িত্ব পালনত মই কিমানখিনি সফল হৈছোঁ।

"মহাবিদ্যালয় সপ্তাহ" আন আন বছৰৰ দৰে এই বছৰত বিভিন্ন আকৰ্ষণীয় প্ৰতিযোগীতাৰে জাঁক জমক কৈ পালন কৰা হয়। আমাৰ বিভাগৰ কবিতা, আবৃত্তি, আকস্মিক বক্তৃতা তৰ্ক প্ৰতিযোগীতা, কুইজ, গল্প লিখন চুটি গল্প, কবিতা লিখা, গোৱালপৰীয়া নৃত্য, গীত, ৰবীন্দ্ৰ সঙ্গীত, বিহুগীত আদি বিভিন্ন প্ৰতিযোগিতাত ভালে সংখ্যক ছাত্ৰ ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে।

কলেজ স্থাপন দিবস (College Foundation Day) যথাযোগ্য ভাবে উথাপণত আমাৰ বিভাগ এই বছৰ উদ্যোগী হোৱাত গতানুগতিক ভাবধাৰাৰ পৰিবৰ্তন হৈছে আৰু এই ক্ষেত্ৰত ছাত্ৰ ছাত্ৰী বন্ধু সকলৰ যথেষ্ট উৎসাহ পৰিলক্ষিত হৈছে।

চিন্তা কৰিছিলো আমাৰ কলেজত অবিভক্ত গোৱালপাৰা জিলাৰ অন্তৰ্গত সকলো কলেজক আমন্ত্ৰণ কৰি আন্তঃ কলেজ তৰ্ক প্ৰতিযোগীতা পাতিম; কিন্তু অৰ্থ নৈতিক কাৰণত সেইটো সম্ভৱ নহল।

গোৱালপৰীয়া লৌকিক 'কলা কৃষ্টি' সৰ্বভাৰতীয় গুনিসমাজৰ দ্বাৰা সমাদৃত হলেও, অৰ্থনৈতিক নিষ্পেষনত ৰাইজৰ অৱস্থা নাইকীয়া হোৱাত অলিখত বহু ফকৰা' 'গীত, 'নাট' হেৰাই যাব ধৰিছে। গাওঁয়ে গাওঁয়ে মুখিয়াল মানুহ বিলাকৰ লগ ধৰি হেৰাই যাব ধৰা অমূল্য ফকৰা, গীত, নাট (কুশান) সংগ্ৰহ কৰি সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে। এই প্ৰচেষ্টাত ব্ৰতী হবলৈ প্ৰবল ইচ্ছা থকাসত্বেও একমাত্ৰ অৰ্থনৈতিক বাধাৰ বাবে সম্ভৱ নহল।

কলেজত আজিলৈকে ছাত্ৰ সকলৰ বাবে উপযুক্ত কমনৰুম আৰু ছাত্ৰ একতা সভাৰ নিজা কাৰ্যালয়ৰ সুবিধা সময়ে সময়ে নানা আহুকালৰ সৃষ্টি হৈ আহিছে। এই বাস্তৱ আৰু প্ৰয়োজনীয় সমস্যাটো সমাধানৰ বাবে পৰিচালন সমিতিৰ ওচৰত অনুৰোধ জনালো।

বৰ্তমান ইলেক্ট্ৰনিক্স মাধ্যমৰ জৰিয়তে পৃথিৱীখন অতি সৰু হৈ গৈছে। ভাৰতীয় সংস্কৃতিৰ উজ্জ্বলতা আজি পাশ্চাত্য ভাবধাৰাই গ্ৰাস কৰিব খুজিছে; কিন্তু সেইটো অতি সাময়িক। শঙ্কৰদেৱ আজান ফকিৰৰ দেশ অসমত জাতি বিদ্বেষ আৰু গোষ্ঠী সংঘৰ্ষৰ যি সূত্ৰপাত হৈছে সিয়ে অসমৰ সুপ্ৰাচীন গৌৰৱোজ্জ্বল সংস্কৃতিৰ ইতিহাসত কলংক সানিছে। এই পৰিস্থিতিৰ অবসানৰ আৰু দ্ৰুত অৰ্থনৈতিক উন্নয়নৰ জৰিয়তে সাৰ্বিক কৰ্ম সংস্থানৰ ব্যৱস্থা আজি অতি জৰুৰী হৈ পৰিছে।

পৰিশেষত কলেজৰ অধ্যক্ষ, অধ্যাপক, অধ্যাপিকা সকলে মোক মোৰ কৰ্ত্তব্য পালনত অতি মৰমেৰে যেনেকৈ সহায় সহযোগ আগবঢ়াইছে—সেই স্মৃতি মোৰ আজীৱন সম্পদ হৈ থাকিব।

আগন্তুক ছাত্র একতা সভাৰ প্ৰতি মোৰ শুভেচ্ছা আৰু আদৰনি জনাই মই মোৰ প্ৰতিবেদনৰ সামৰনি মাৰিলো।

জয়তু ছাত্র একতা সভা, চাপটগ্ৰাম মহাবিদ্যালয়

ধন্যবাদেৰে

সব্যসাচী দত্ত

সম্পাদক

তৰ্ক আৰু সাংস্কৃতিক বিভাগ

# চাপটগ্ৰাম মহাবিদ্যালয়ৰ গৌৰব



শ্ৰীৰাজু মণ্ডল

১৯৯৮ চনৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সমগ্ৰ অসমৰ ভিতৰত ২য় স্থান লাভ কৰিছে।



শ্ৰীইন্দ্ৰজিত কলিতা

১৯৯৯ চনৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সমগ্ৰ অসমৰ ভিতৰত নৱম স্থান লাভ কৰিছে।

এওঁলোক চাপটগ্ৰাম মহাবিদ্যালয় তথা ধুবুৰী জিলা বাসী বাইজলৈ অভূতপূৰ্ব্ব গৌৰব কাঢ়িয়াই আনিছে।

"দুয়োজনাৰে ভৱিষ্যত আৰু অধিক উজ্জ্বল হওঁক"

## ॥ সূচীপত্ৰ ॥


| | বিষয় — | লিখক - | পৃষ্ঠা — |
|---|---|---|---|
| ১। | পুথিভৰাল আৰু শিক্ষাত ইয়াৰ গুৰুত্ব | ৰীতা মালাকাৰ | ১ |
| ২। | শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তেওঁৰ সমকালিন সমাজ | সংগীতা কলিতা | ৩ |
| ৩। | গোৱালপৰীয়া বিয়া নামত বিবাহৰ চিত্ৰ | পূৰবী অধিকাৰী | ৮ |
| ৪। | আজিৰ বিকাৰগ্ৰস্থ যুৱমানসিকতাৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ভূমিকা | নিবাম ভ নিখিল দাস | |
| ৫। | মায়াৰ বান্ধোন | শ্যামল কলিতা | ১৫ |
| ৬। | অফুৰন্ত মৰম | নীলিমা ৰায় | ১৮ |
| ৭। | জগতেৰ ত্ৰানকৰ্তা যীশু | ৰাজু মণ্ডল | ২২ |
| ৮। | এইডস্ এবং যুবসমাজ | ৰঞ্জিত ৰঞ্জন পাল | ২৫ |
| ৯। | Essence of philosophy in Islamism | Ashak kr. Sengupta | ২৯ |
| ১০। | অমৰপ্ৰেম | স্মিতা দাস | ৩৩ |
| ১১। | হুইল চেয়াৰ | উদিতা তালুকদাৰ | ৩৫ |
| ১২। | Encounters with Reality | Uday Sankar choudhury | ৩৮ |
| | কবিতাঃ— | | |
| ১৩। | শিক্ষাই বস্তি, জ্ঞানেই জ্যোতি | মনোয়াৰ হোসেন খান | ৪০ |
| ১৪। | জীৱন যৌৱন | ৰঞ্জনা বৰ্মন | ৪১ |
| ১৫। | সাগৰ | শিল্পী ঘোষ | ৪২ |
| ১৬। | তুমি যে অনন্ত | জীতু কুমাৰ কলিতা | ৪৩ |
| ১৭। | মানস প্ৰতিমা | ৰবিউল ইসলাম | ৪৪ |
| ১৮। | মোৰ জন্মভূমি ভাৰত | ৰঞ্জণ জ্যোতি দেৱশৰ্মা | ৪৫ |
| ১৯। | কবি বন্ধুলৈ একাষাৰ | অৰ্পনা দাস | ৪৬ |
| ২০। | সাগৰ | ৰঞ্জনা বৰ্মন | ৪৭ |
| ২১। | উদাস প্ৰিয় | পিঙ্কি পাল চৌধুৰী | ৪৮ |
| ২২। | অস্পৃহা | নবনিতা দেব | ৪৯ |
| ২৩। | ভালবাসা | উদিতা তালুকদাৰ | ৫০ |
| ২৪। | A poor country boy | Surendra kr. Tailor | ৫১ |
| ২৫। | My dream girl | Ranjit Ranjan paul | ৫২ |


# প্ৰবন্ধ

## —পুথিভঁৰাল আৰু শিক্ষাত ইয়াৰ গুৰুত্ব।—


ৰীতা মালাকাৰ
গ্ৰন্থাগাৰিকা,
চাপটগ্ৰাম মহাবিদ্যালয় গ্ৰন্থাগাৰ


শিক্ষাৰ যোগেদি প্ৰত্যেক জাতিৰ মানসিক বিকাশ সৌন্দৰ্যবোধৰ ধাৰা লক্ষ্য কৰা যায় আৰু অতীত বৰ্তমানৰ পৰিচয় আৰু ভবিষ্যত জীৱনৰ সম্ভাৱনাৰ ইঙ্গিতো পোৱা যায়। কোনো জাতিৰ শিক্ষা-দীক্ষা, কলা সংস্কৃতি আৰু সমাজৰ প্ৰকৃত পৰিচয় পাবলৈ হলে সেই জাতিৰ সাহিত্য অধ্যয়ন অপৰিহাৰ্য। আৰু এই সাহিত্য অধ্যয়নৰ কাৰণে আমি পুথিভঁৰালৰ ওচৰ চাপিবই লাগিব। কিয়নো সাহিত্য চৰ্চ্চাৰ মূল কেন্দ্ৰই হৈছে পুথিভঁৰাল।

প্ৰাচীন কালত মঠ, মন্দিৰ, সত্ৰ, নামঘৰ আদিয়ে পুথিভঁৰালৰ কাম কৰিছিল। সভ্যতাৰ ক্ৰমবিকাশ ঘটাৰ পিছতে আদিম মানৱে গুহাৰ পৰা বাহিৰলৈ আহি মনৰ ভাব প্ৰকাশ কৰিবৰ কাৰণে শিলৰ ওপৰত কিছুমান আঁক-বাক চিহ্ন কৰিবলৈ ধৰিলে। পিছত এই আক-বাকবোৰেই লিপি ৰূপে পৰিচিত হ'ল। শিলা-লিপিৰ পিছতেই আহিল সাঁচি পাত, তুলাপাতৰ ওপৰতেই বহু যত্ন কৰি গ্ৰন্থ লিখিছিল যিবোৰ নেকি সত্ৰ, নামঘৰ আদিত সংৰক্ষিত কৰি ৰখা হৈছিল। কিন্তু সেইবোৰৰ সংগ্ৰহ আৰু সংৰক্ষণ কৰি ৰখাও সহজ নাছিল।

উনবিংশ শতিকাৰ আৰম্ভণিত ভাৰতত আবিস্কাৰ হ'ল মুদ্ৰণ যন্ত্ৰৰ; আৰু এই লিপিবোৰৰ পৰিচয় হ'ল কাগজৰ লগত— যাৰ ফলত কিতাপ যথেষ্ট সুলভ হ'ল। ইয়াৰ পিচতে আহিল ইয়াৰ সংৰক্ষণৰ কথা। তেতিয়াই মানুহে পুথিভঁৰালৰ আৱশ্যকতা বুজি পালে। কিয়নো মঠ-মন্দিৰ বা নামঘৰত বিজ্ঞান সন্মত পদ্ধতিৰে কিতাপ সংৰক্ষণ কৰি ৰখা সম্ভৱ নহয়।

পুথিভঁৰাল হৈছে জ্ঞানৰ ভঁৰাল। কবি গুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰেও কৈছে—"হিমালয়ের মাথার ওপরে কঠিন বরফের মধ্যে যেমন কত কত বন্যা বাঁধা আছে, তেমনি এই লাইব্রেরির মধ্যে মানব হৃদয়ের বন্যাকে বাঁধিয়া রাখিয়াছে।" মানুহৰ জ্ঞান পুথীৰ পাতত সঞ্চিত হয়; সেয়ে জ্ঞানান্বেষী মানুহে অতীতৰ পৰাই পুথিভঁৰাল পাতি জ্ঞান সাধনাৰ বাট মোকলাইছিল। আজি একবিংশ শতাব্দীৰ পদধ্বনিও পুথিভঁৰাল কেৱল কিতাপৰ মাজতে আবদ্ধ হৈ নাথাকি বিজ্ঞানৰ ফুলনিত ফুলা বিভিন্ন ধৰণৰ ফুলৰ দ্বাৰা সজ্জিত হৈছে। আজি কাগজৰ সলনি ব্যৱহৃত হব ধৰিছে Film media, Magetic media আৰু

Optical media. ইয়াৰ উপৰিও Optical media-ৰ CD-ROM ৰ মাধ্যমেদি বহুমূল্যৰ গ্ৰন্থ আৰু আলোচনী আৰু Internet-ৰ যোগেদি বাতৰি কাকত আৰু নতুন নতুন তথ্যৰ যোগানেও পুথিভঁৰালক আৰু চহকী কৰি তুলিছে। কেৱল পুথিভঁৰালক চতুৰ্দ্দিশৰ পৰা চহকী কৰি তুলিলেই নহব। ইয়াৰ উপকাৰিতা আৰু ব্যৱহাৰ সম্বন্ধে সমগ্ৰ বিশ্বক অৱগত কৰি তোলাই হব লাগিব আমাৰ উদ্দেশ্য। কাৰণ পুথিভঁৰাল হৈছে জ্ঞানৰ ভাণ্ডাৰ – য'ত ডাঙৰ ডাঙৰ মনিষী সকলৰ দ্বাৰা লিপিবদ্ধ পুথিবোৰ সংগ্ৰহ আৰু সংৰক্ষণ কৰি ৰখা হয়। সমাজত জিয়াই থাকিবলৈ হলে অকল ভাত কাপোৰেই প্ৰয়োজন নহয়। প্ৰয়োজন হয় জ্ঞানৰ। আৰু এই জ্ঞান অৰ্জন কৰিব পাৰি একমাত্ৰ পুথিভঁৰালৰ পৰা। কিয়নো পুথিভঁৰাল হৈছে শিক্ষাৰ প্ৰাণকেন্দ্ৰ।

পুথিভঁৰাল বিজ্ঞানৰ পিতৃস্বৰূপ ডঃ এছ আৰ ৰঙ্গনাথনে গ্ৰন্থাগাৰক সৰ্বাত্মক, অবিৰত ব্যক্তি শিক্ষাৰ মাধ্যম বুলি জ্ঞান কৰিছিল – য'ত শিক্ষকৰ অনুপস্থিতিত শিক্ষা গ্ৰহণ কাৰ্য্য সম্ভৱপৰ হব পাৰে। পুথিভঁৰালক তেওঁ এক সামাজিক অনুষ্ঠান বুলি অভিহিত কৰে। পুথিভঁৰালে জাতি ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোকে সামৰি বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীবোৰক জ্ঞানৰ পোহৰ বিলায়।

বৰ্ত্তমান শিক্ষা ব্যৱস্থাই শিক্ষা দানতকৈ শিক্ষা গ্ৰহণ প্ৰক্ৰিয়াৰ ওপৰত অধিক গুৰুত্ব দিছে। সেয়ে পুথিভঁৰাল অবিহনে ছাত্ৰ-ছাত্ৰী বা শিক্ষকেও শিক্ষা গ্ৰহণ আৰু দানত লাভবান হব নোৱাৰে। বৰ্তমান বিদ্যালয় আৰু মহাবিদ্যালয়ৰ পুথিভঁৰালবোৰ খোলা আৰু বন্ধ কৰাৰ নিৰ্দ্দিষ্ট সময় থাকিলেও পঢ়ুৱৈয়ে নিজৰ ইচ্ছানুসৰি পুথিভঁৰালৰ পৰা অনুমতি লৈ নিজৰ হাতলৈ কিতাপ নি ঘৰত যিকোনো সময়তে নিজৰ ইচ্ছানুসৰি শিক্ষা গ্ৰহন কৰিব পাৰে। আৰু ইয়াৰ বাবে পুথিভঁৰাল কতৃপক্ষইও উপযুক্ত পুথি আৰু নতুন নতুন তথ্যৰ যোগান পঢ়ুৱৈক ধৰিব লাগিব। তেতিয়াহে ডঃ ৰঙ্গনাথনে আগবঢ়োৱা – "প্ৰতিজন পঢ়ুৱৈৰ উপযোগী পুথি আৰু প্ৰতিখন পুথিৰ যোগ্য পঢ়ুৱৈ" এই মূল সূত্ৰটি পুথিভঁৰালত প্ৰতিফলিত হব।

এই জ্ঞান-বিজ্ঞানৰ যুগতো আমাৰ ছাত্ৰ-ছাত্ৰীয়ে কেৱল শ্ৰেণীকোঠাত দিয়া পাঠ্য-পুথিকে সাৰোগাত কৰি, শ্ৰেণীকোঠাত দিয়া সংক্ষিপ্ত টোকা পঢ়ি পৰীক্ষাত পাছ কৰাটোৱেই প্ৰধান লক্ষ্য হৈ পৰিছে। গতিকে এই শিক্ষা ব্যৱস্থাৰ পৰিবৰ্ত্তন ঘটাই জ্ঞান কেন্দ্ৰিক বা পুথিভঁৰাল কেন্দ্ৰিক শিক্ষা ব্যৱস্থাৰ প্ৰবৰ্ত্তন কৰিব নোৱাৰিলে আমাৰ ছাত্ৰ-ছাত্ৰীয়ে সৰ্ব্ব ভাৰতীয় পৰীক্ষা সমূহত স্থান পোৱাটো পৰ্ব্বতত কাছকণী বিচৰাৰ লেখীয়া হব। গতিকে ছাত্ৰ ছাত্ৰীৰ উন্নতিৰ বাবে পুথিভঁৰালীয়েও ছাত্ৰ-ছাত্ৰীকে পুথিভঁৰাললৈ আকৰ্ষিত কৰি আমি নতুন নতুন তথ্যৰ যোগান ধৰিব পাৰিলেহে উন্নতিৰ পথত আগুৱাই যাব পাৰিব আৰু তাৰবাবে সংশ্লিষ্ঠ কতৃপক্ষ সমূহেও পুথিভঁৰালৰ গুৰুত্ব উপলব্ধি কৰি ইয়াৰ উন্নতিকল্পে চেষ্টা কৰিব বুলি আশা ৰাখিলো।

০ ০ ০



## ॥ শ্ৰীমন্ত শংকৰদেৱ আৰু তেওঁৰ সমকালীন সমাজ ॥

সংগীতা কলিতা
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ।

শ্ৰী হৰি শৰণম

জয় গুৰু শংকৰ সৰ্ব্ব গুণাকৰ
যাকেৰি নাহিকে উপাম
তোহাৰি চৰণকু ৰেণু শত কোটি
বাৰেক কৰোহোঁ প্ৰণাম।

ভগৱানৰ সকলোবিলাক অৱতাৰৰ পৰা এইটো প্ৰতীয়মান হৈছে যে ধৰ্মৰ গ্লানি হলেই ভগৱানে মৰ্ত্ত্যত আৱিৰ্ভাব হৈ তৎকালৰ সেই দুষ্কৃতিৰূপী অধৰ্মক আঁতৰাই জগতক শান্ত পৰিবেশলৈ আনি ধৰ্মৰাজ্য প্ৰতিষ্ঠা কৰে। সকলোৰে পৰিচিত শাস্ত্ৰৰ উত্তম গীতা মহাগ্ৰন্থখনিত ভগৱান কৃষ্ণই কৈছে –

যেতিয়াই ধৰ্মৰ গ্লানি হয় আৰু অধৰ্মৰ প্ৰাৱল্য হয় তেতিয়াই মই নিজে অৱতাৰ হওঁ। সাধু মহন্তলোকক ৰক্ষা কৰি দুষ্ট প্ৰকৃতিৰ লোকক বিনাশ কৰি জগতত পুনৰ ধৰ্ম প্ৰতিষ্ঠাৰ কাৰণে মই যুগে যুগে অৱতাৰ গ্ৰহণ কৰোঁ।

আজিৰ পৰা প্ৰায় ৫৫০ বছৰ পূৰ্ব্বে অসমত এক আতংকিত বিভীষিকাপূৰ্ণ পৰিবেশ বিৰাজ কৰিছিল। অনাচাৰ, ব্যাভিচাৰ আৰু কু আদৰ্শই সমাজক গ্ৰাস কৰি পেলাইছিল। মানুহৰ আগত কোনো আধ্যাত্মিক আৰু নৈতিক মূল্যবোধ সম্পন্ন আদৰ্শ নাছিল।

ধৰ্মৰ নামত দুষ্কাৰ্য্য আৰু গ্লানি হোৱাৰ সময়তে নানান কৰ্মকাণ্ডযুক্ত তান্ত্ৰিক মন্ত্ৰ তন্ত্ৰই ক্ৰমাৎ প্ৰভাৱ বিস্তাৰ কৰিব ধৰাত আহোম ৰাজত্বৰ কালতে আজিৰ পৰা ৫৪৭ বছৰৰ পূৰ্ব্বে ১৩৭৯ শকৰ আহিন মাহৰ শুক্লা দশমী তিথিত (১৪৪৯ খ্ৰীষ্টাব্দে) অসমৰ মাজমজিয়া নগাওঁ জিলাৰ ৰবদোৱাত (বটদ্ৰৱা) মহাপুৰুষ শংকৰদেৱৰ আৱিৰ্ভাৱ হয়। ই অসমীয়া জনগণৰ অবিদিত নহয়; আদি সত্য যুগৰ শুদ্ধ ধৰ্মৰ পুণৰ সংস্থাপন কৰি জনগণক পৰিত্ৰাণ কৰিবৰ বাবেই এইজনা মহাপুৰুষৰ আৱিৰ্ভাৱ।

ধৰ্মীয় দৃষ্টিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ওপৰত দৈৱিক শক্তি আৰোপিত হলেও এই নিবন্ধত তেওঁক অজন সমাজ সংস্কাৰীক, সাহিত্যিক, দাৰ্শনিক, তথা ধৰ্মগুৰুৰ দৃষ্টিত তেখেতৰ সমকালীন সমাজ ব্যৱস্থাক সাঙুৰি পৰ্য্যালোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে।

প্ৰাচীন কামৰূপত এখন বিশিষ্ট আঞ্চলিক সমাজৰ সূত্ৰপাত হৈছিল, উত্তৰ ভাৰতৰ ব্ৰাহ্মণ প্ৰভাৱ আৰু স্থানীয় অনাৰ্য্য সম্ভুত ৰাজবংশৰ মিলনত। চেহেৰাপাতিৰ পিনৰ

পৰা অতীজতে এই অঞ্চলৰ বেছিভাগ মানুহেই আছিল কিৰাত জাতীয়–যিটো আনকি বহিৰাগত ভাস্কৰ্য্য শিল্পতো ক্ৰমে ক্ৰমে প্ৰতি-বিম্বিত হৈছিল।

স কিৰাতৈশ্চ চীনৈশ্চ বৃতঃ প্ৰাগজ্যোতিষোহভৎ
অন্যৈশ্চ বহুভিৰয়োধৈঃ সাগৰানুপৱাসিভি

কথাটো অতি গুৰুত্বপূৰ্ণ। কাৰণ ইয়ে ইঙ্গিত দিয়ে যে কামৰূপৰ প্ৰাচীন নৃপতি-সকল ক্ষত্ৰিয় ধৰ্মী হলেও তেজৰ পিনৰ পৰা অনাৰ্যই আছিল।

কিন্তু এই ৰজাসকলে হিন্দুনাম ৰীতি-নীতি গ্ৰহণ কৰি সংস্কৃত ভাষা তাম্ৰশাসনত লিপি-ৱদ্ধ কৰাই ব্ৰাহ্মণ পণ্ডিতক ভূমি দান কৰি এনে এক আৰ্হি প্ৰৱৰ্ত্তন কৰিলে যাৰ প্ৰভাৱ বহু যুগ পিছৰ কোচ আহোম ৰাজবংশৰ বুৰঞ্জীতো ই আছিল সমন্বয়ৰ প্ৰথম ভেটি আৰু এই সমন্বয়ৰ বিধায়ক আছিল ব্ৰাহ্মণ পণ্ডিত সকল। জনজাতীয় কৃষিব্যৱস্থা আৰু সমাজতকৈ উন্নত আৰু আহল-বলল সমাজ আৰু কৃষি ব্যৱস্থাৰ প্ৰৱৰ্ত্তন হৈছিল এনেকৈ আৰ্য্যীকৃত হিন্দু ৰজাসকলৰ ৰাষ্ট্ৰীয় পৃষ্ঠপোষকতা আৰু ব্ৰাহ্মণ পণ্ডিতসকলৰ উদ্যম আৰু পৰি-কল্পনাৰ ফলস্বৰূপে। গুপ্ত যুগৰ দক্ষিণ ভাৰত, মধ্য ভাৰত, হিমালয়ৰ পাদদেশ. অসম প্ৰভৃতি অঞ্চলৰ এনে আৰ্হি প্ৰথম প্ৰৱৰ্ত্তন হৈছিল। অৱশ্যে একে সময়তে নহয়।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ এক শৰণ হৰিনাম ধৰ্মৰ আদৰ্শই বিভিন্ন জাতি সত্তাৰ মাজত সমন্বয়ৰ বাহক হিচাপে কেনেধৰণৰ প্ৰভাৱ বিস্তাৰ কৰিছে তাক আলোচনা কৰাৰ আগতেই প্ৰাক্ আহোম যুগৰ আগৰে পৰা অসমৰ ধৰ্মীয় আৰু সামাজিক পৰিবেশত অংকুৰিত শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মীয় চেতনাত কেনেদৰে জাতি গঠনৰ প্ৰক্ৰিয়াটোৱে গা কৰি উঠিছিল তাক ব্যাখ্যা কৰাটো নিশ্চয় অপ্ৰাংসগিক নহব।

প্ৰাক্‌শংকৰ কালছোৱাত অসমত শিৱ আৰু শাক্তধৰ্মৰ প্ৰভাৱ তৰ্কাতীত যদিও বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱো অত্যন্ত সীমিত নহয়। উল্লেখযোগ্য যে কামৰূপত আৰ্য্য সভ্যতাৰ প্ৰতিষ্ঠা ৰূপে চিহ্নিত নৰকাসুৰ (ডঃ বাণীকান্ত কাকতিৰ মতে তৃতীয়ৰ পৰা পঞ্চম শতিকা) বিষ্ণুবংশ-জাত। বান ভট্টৰ হৰ্ষচৰিতাতো ভাস্কৰ বৰ্মাক "বৈষ্ণৱ বংশ আখ্যা দিয়া হৈছিল" (পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি—ডঃ মহেশ্বৰ নেওগ। তদুপৰি প্ৰাক্‌শংকৰী যুগৰ অপ্ৰমাদী কবি মাধৱ কন্দলী প্ৰমুখ্যে কবিৰ ৰামায়ণ মহাভাৰত আৰু বৈষ্ণৱধৰ্মৰ পটভূমি সম্পৰ্কে আমাক অৱগত কৰায়। অৱশ্যে এইটো ঠিক যে থলুৱা বৃহৎ সংখ্যকলোকৰ ধৰ্ম বিশ্বাসৰ সন্মুখত প্ৰাক্‌শংকৰ যুগৰ বৈষ্ণৱ ধৰ্ম প্ৰত্যহ্বান স্বৰূপ হৈ পৰা নাছিল। ফল-স্বৰূপে সৰ্ব্বগ্ৰাহী শৈৱ আৰু শাক্ত ধৰ্মৰ আগত বৈষ্ণৱ ভাৱধাৰা নত জানু হৈ আছিল। এই সমগ্ৰ কালছোৱাত ব্ৰাহ্মণ অথবা পুৰহিত শ্ৰেণীটোৱে পৌৰুহিত্যক বৃত্তি হিচপে লৈ জন-মানসত প্ৰতিপত্তি বিস্তাৰ কৰিছিল। তেওঁলোকে জনমানসত শ্ৰেণী স্বাৰ্থ গজগজীয়া কৰিবলৈ যত পৰোনাস্তি চেষ্টা চলাইছিল। ফলত জাতি-ভেদ, যৌনাচাৰ আদি বিভিন্ন হীনাচাৰে



তেওঁলোকৰ ক্ৰিয়া কাণ্ডত দেখা দিছিল। "তান্ত্ৰিক শক্তি পুজাই এইদৰে দিনক দিনে ষৰণ সলাবলৈ ধৰি এক জঘন্য ৰক্ত পিপাসু ধৰ্মত পৰিণত হৈছিল। এই তান্ত্ৰিক উপা–সনা পদ্ধতিৰ পৰা আগবাঢ়ি ভৌতিক আৰু ঐন্দ্ৰজালিক বিদ্যা আৰু গৰ্ভৱতী তিৰোতাৰ গৰ্ভ চিৰি ভ্ৰূণ পৰীক্ষা কৰা আদি বীভংস্য কৰ্ম কাণ্ড চলিছিল বুলি জনা যায়।" (যুগ-নায়ক শংকৰদেৱ ডিম্বেশ্বৰ নেওগ পৃষ্ঠা ২৮৩) এই সময়ছোৱাত দেৱ-দেৱীৰ সন্মুখত তেওঁ–লোকৰ সন্তুষ্টিৰ অৰ্থে বিভিন্ন প্ৰাণীৰ উপৰিও নৰবলীৰ দৰে অমানবীয় প্ৰথাৰো প্ৰচলন আছিল।

এনে এটা পৰিবেশত শংকৰদেৱে জাতি গঠনৰ এক নতুন সোপান ৰচনা কৰিছিল। এই নৱ বৈষ্ণৱ ধৰ্মই বহু দেৱ-দেৱীৰ ঠাইত একেশ্বৰৰ প্ৰৱৰ্ত্তন কৰি পুৰোহিত শ্ৰেণীটোৰ আধিপত্তা ভালেখিনি খৰ্ব কৰে। ব্ৰাহ্মণ্য ধৰ্মৰ ক্ৰিয়াকাণ্ডৰ বিপৰীতে এক শৰণ ধৰ্মই কৃষ্ণ বা বিষ্ণুৰ নাম মাহাত্ম্য শ্ৰৱণ কীৰ্ত্তন কৰি পৰমপদ লাভৰ সন্ধান দিলে। লগে লগে ইমানদিনে কটকটীয়া হৈ থকা জাতিভেদ, ধুতি ৰিধুতি বা অস্পৃশ্যতাৰ সামাজিক সাৰশূণ্য বান্ধোনো সুলকি পৰে।

সামাজিক দিশৰ পৰা শংকৰদেৱৰ চেতনাৰ এই মৌলিকতা আছিল সুদূৰ প্ৰসাৰী আৰু গভীৰ।

ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল
দাতাত-চোৰত যেন দৃষ্টি একতুল ॥
নীচত সাধুত যাৰ ভৈলে এক জ্ঞান
তাহা কেসে পণ্ডিত বুলিও সৰ্ব্বজন ॥"

এনে উদাৰ ধৰ্মমতৰ প্ৰতি সমাজৰ প্ৰতিটো শ্ৰেণীৰ সমৰ্থন বাঢ়ি অহাটো স্বাভাৱিক। এইখিনিতে উল্লেখযোগ্য যে শংকৰদেৱৰ "চান্দখা" নামৰ এজন মুছুলমান শিষ্যও আছিল। শংকৰদেৱৰ ধৰ্মীয় চেতনাৰ অন্তৰালন নিহিত আদৰ্শই সমাজত কিমানদূৰ শিপাইছিল ইয়াৰ দ্বাৰাই অনুমান কৰিব পাৰি।

১৮৮১ চনৰ প্ৰকাশিত World Guit ৰ Cencus report মতে অসমৰ মুছুলমান সমাজতো এক শৰণ সত্ৰ আৰু সত্ৰাধিকাৰৰ প্ৰাদুৰ্ভাৱ আছিল। তাৰ পৰাই বুজা যায় যে সত্ৰানুষ্ঠানৰ ভিত্তি কেৱল ধৰ্ময়েই নহয়; অসমৰ সমগ্ৰ জনসমাজৰে সামাজিক, ৰাজ–নৈতিক সংগঠনৰ অংগ স্বৰূপ—(ডঃ হীৰেণ গোঁহাই) অৱশ্যে শংকৰদেৱে আগতে উল্লেখ কৰি অহা পুৰোহিত বৰ্গৰ সন্মুখত প্ৰকাশ্যে জোহাদ ঘোষণা নকৰিলেও তেওঁৰ ধৰ্মমতৰ এই বিপুল প্ৰতিষ্ঠা উপোৰক্ত শ্ৰেণীটোৰ বাবে প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিল। এই শ্ৰেণীটোৰ কুটাঘাত মূলক কাৰ্য্যৰ বলি হল শংকৰদেৱ। আচিৰেই আহোম ৰজা চুহুংমুঙে শংকৰদেৱক দেশ ভঙা অভিযোগত অভিযুক্ত কৰিলে। পৰৱৰ্তী কালছোৱাত অসমৰ বিভিন্ন ঠাইত বৈষ্ণৱ ধৰ্মৰ সত্ৰ সমূহ থিতাপি লোৱৰ ক্ষেত্ৰত এই ধৰ্মৰ প্ৰতি বাঢ়ি অহা আহোম ৰাজ শক্তি আগ্ৰহ পৰিলক্ষিত হয়। ইয়াৰ আন এক ভিত্তিও নোহোৱা নহয়। আহোমৰ সামন্তবাদী সামাজিক সংগঠন সুদৃঢ় প্ৰসাৰী কৰিবলৈ সত্ৰসমূহক বিস্তৰ ভূসম্পত্তি দান কৰা

হৈছিল। এনেদৰে সত্ৰসমূহ আৰু আহোম ৰাজশাসনে অসমৰ সমস্ত জনসাধাৰণকে এটা সংগঠনৰ লগত জড়িত কৰিছিল। শিৱসিংহৰ (১৭১৪ খৃঃ) ৰাজত্বকালত ব্ৰাহ্মণ্য ধৰ্মই পুনৰ মূৰ দাঙি উঠে। ইয়াৰ ফলত ১৭১৬ খ্ৰীষ্টাব্দৰ পৰা মোৱামৰীয়া বিদ্ৰোহৰ সূত্ৰ পাত হয়।

যি কি নহওক শংকৰদেৱ প্ৰৱৰ্ত্তিত ধৰ্ম-মনৰ ছত্ৰছায়াতে বিভিন্ন জন গোষ্ঠীৰে পূৰ্ণ অসমৰ জাতি উপজাতি সমূহৰ মাজত এটা আত্মীয়কৰণ (Assimilation) ৰ প্ৰক্ৰিয়া চলি আহিছিল। ই যে ছেগা চোৰোকাকৈ হলেও আজিও চলি আহিছে সেই কথা অনস্বীকাৰ্য্য।

আহোম শাসনৰ শেষ কালছোৱাত আৰু বৃটিছ আগমনৰ কালছোৱাত সত্ৰসমূহৰ প্ৰতিপত্তি কমি আহিবলৈ ধৰিলে। তদুপৰি আধুনিক সভ্যতাৰ প্ৰসাৰ আৰু জটিলতা বৃদ্ধি পোৱাৰ লগে লগে বৈষ্ণৱ ধৰ্মৰ মূল ভেটি প্ৰৱল সংসাৰ বৈৰাগ্য কিছুমানৰ কাৰণে অন্ত সাৰ শূণ্য হৈ পৰিল। কিন্তু শংকৰদেৱ প্ৰচাৰিত ধৰ্মমতৰ গভীৰ মানৱতা বোধ জতিভেদৰ প্ৰতি বিদ্ৰোহ আচৰণৰ সাৰ্ব্বজনীনতা অতুলনীয়। এইফালৰ পৰা বৈষ্ণৱ ধৰ্মমতৰ প্ৰাসংগিকতা অসমত আজিও সমাদৃত।

সাম্প্ৰতিক জাতি গঠনৰ ক্ষেত্ৰত শাসক শ্ৰেনীৰ ভূমিকা আটাইতকৈ বেছি লক্ষ্য কৰিবলগীয়া। অতি পুৰণিকালতে গণচেতনাক পদদলিত কৰিবলৈ ৰোমান সাম্ৰাজ্যত "Divide and Rule" নীতি ব্যৱহাৰ কৰা হৈছিল। বৃটিছ শাসকবৰ্গই শোষণৰ স্বাৰ্থত এই কুৎসিত কৌশল প্ৰয়োগ কৰি ভাৰতৰ প্ৰভূত্ব বিস্তাৰ কৰিছিল। একেই কথা খাটে সাম্প্ৰতিক অসমৰ ক্ষেত্ৰত। ক্ৰমৱৰ্দ্ধমান গতিত বৃদ্ধি পোৱা যিকোন বিপ্লৱী চেতনাক ব্যাহত কৰিবলৈ, আদৰ্শভ্ৰষ্ট কৰিবলৈ, ধৰ্মৰ নামত, জাতিৰ নামত, গোষ্ঠীৰ নামত জনগনৰ সংহতি নষ্ট কৰা এটা ফলপ্ৰসু আৰু প্ৰকৃষ্ট কৌশল। বিভিন্ন জাতিৰ মাজত সমন্বয়ৰ ক্ষেত্ৰত শ্ৰীমন্ত শংকৰদেৱে ভালদৰে জানিছিল যে আবেগ এই ক্ষেত্ৰত বিশেষভাৱে কাৰ্যাকৰী নহয়— কিয়নো আবেগ সদায় ক্ষন্তেৰ্কীয়া, সংচিন্তা, সু-যুক্তি আৰু সু-সিদ্ধান্তহে চিৰস্থায়ী। স্বতঃস্ফুৰ্ত্ত জাতি গঠন প্ৰক্ৰিয়া যদি অব্যাহত আছে তেমেহলে অতীজৰে পৰা জনসাংস্কৃত ক্ষীণকৈ হলেও সক্ৰিয় হৈ থকা শংকৰী ঐতিহ্যৰে প্ৰভাৱতে সেয়া তিষ্ঠি আছে বুলি কব লাগিব।

বিশ্বত আজিলৈকে যি সকল ধৰ্মপ্ৰচাৰকৰ আৱিৰ্ভাব হৈছে তেৰাসকলৰ ভিতৰত শ্ৰীমন্ত শংকৰদেৱৰ বাহিৰে নিজ লিখনিৰ যোগে ধৰ্ম সাহিত্য আৰু সংস্কৃতি প্ৰচাৰ কৰা কাৰো চকুত নপৰে। মহাপুৰুষজনাই ঈশ্বৰ কৃষ্ণবস্তুৰ গুণানুকীৰ্তন কৰি বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি-স্থিতি আৰু প্ৰলয়ৰ কাৰণৰো ভগৱান শ্ৰীকৃষ্ণকে নিৰ্ণয় কৰি ভৱতৰণৰ উপায় হিচাবে সকলো জীৱই একান্তভাৱে সুদৃঢ় বিশ্বাসে কৃষ্ণত শৰণলৈ শ্ৰৱণ কীৰ্ত্তনৰ যোগে ভক্তি কৰিবলৈ প্ৰচাৰ কৰি গল। সৰ্বসাধাৰণ মানুহৰ মন আধ্যাত্মিকতাৰ ফালে ঢাল খুৱাবলৈ তন্ময় আৰু তন্ময় সৌন্দৰ্য বোধৰ উদয় ঘটোৱাই গুৰুজনে সাহিত্য সৃষ্টি কৰিছিল। একশৰণ ভাগৱতী ধৰ্মপ্ৰচাৰ কৰিবলৈ শ্ৰীমন্ত শংকৰদেৱে ঘোষা, পদ, তোটয় চপয়, ভটিমা, গুণমালা, নাট, উপাখ্যান, বৰগীত, সংস্কৃত শ্লোক আৰু কাব্য ৰচনা কৰিলে। তেৰাৰ সাহিত্য ৰাজি একক চৰিত্ৰ কেন্দ্ৰীভূত। সেইটো হৈছে শ্ৰী কৃষ্ণ। প্ৰকৃতাৰ্থত কৃষ্ণ কেন্দ্ৰিক সাহিত্য ৰচনা কৰি সত্ৰ-নামঘৰ নিৰ্মান কৰি, একজন দেৱতাৰ পূজা সেৱা কৰি যি ঐক্য সংহতি মহাপুৰুষ জনাই প্ৰৱৰ্ত্তিত কৰিলে সেয়ে তেৰাৰ সমকালীন সমাজক এক নতুন গতি দি অসমীয়া মহাজাতি গঠন কৰি যুগমীয়া কীৰ্ত্তি অৰ্জিলে।

সদৌ শেষত চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ ভাষাৰে এইদৰে সামৰণি মাৰিব খুজিছোঁ।।

"আহিঁ লাগে শংকৰত পাবা। মূলমন্ত্ৰ লাগে শংকৰত পাবা। একান্ত ভক্তি লাগে তেওঁতেই পাবা। সাহিত্যৰ গুৰু শংকৰ। সমাজৰ নেতা শংকৰ।"

০ ০ ০

৪৩১তম শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ উপলক্ষে পতা ৰচনা প্ৰতিযোগীতাৰ দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত ৰচনা মিচ্‌ সংগীতা কলিতা। চাপটগ্ৰাম মহাবিদ্যালয়)

সহায়ক গ্ৰন্থপঞ্জী

১) অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা ডঃ হীৰেণ গোহাঁই, ২) স্মৃতিগ্ৰন্থ বৈকুণ্ঠ প্ৰকাশ— ডঃ মাধৱ দাস (মুখ্য-সম্পাদক)
৩) "মনিকাঞ্চন"—১ চেপ্তেম্বৰ সংখ্যা ১৯৯৬ চন
৪) পুৰনি অসমীয়া সমাজ আৰু সংস্কৃতি— ডঃ মহেশ্বৰ নেওগ।
৫) যুগনায়ক শংকৰদেৱ—ডিম্বেশ্বৰ নেওগ।

# ॥ গোৱালপৰীয়া বিয়া নামত বিবাহৰ চিত্ৰ ॥

মিচ্ পুৰবী অধিকাৰী
স্নাতক মহিলা ২য় বৰ্ষ।

জন্ম-মৃত্যু আৰু বিবাহ-জীৱ শ্ৰেষ্ঠ মানৱ জীৱনৰ তিনিটা ঘাই স্মৃতি। জন্মিলে প্ৰত্যেক জীৱৰে মৃত্যু হবই। ই ধৰা বন্দা নিয়ম আৰু বিয়া হল নাৰী আৰু পুৰুষৰ পৰি-শীলিত ৰীতিত বন্ধা যৌন মিলনৰ এক সামাজিক স্বীকৃতি। মানৱ সমাজক ধ্বংসৰ মুখৰ পৰা বচাবলৈ কিম্বা সৃষ্টি পাতনি নিৰৱধি বোৱাই নিবলৈ অতি প্ৰাচীন কালৰে পৰা মানৱ সমাজত বিয়াৰ প্ৰচলন হৈ আহিছে। কিন্তু কেতিয়াৰ পৰা মানৱ সমাজত এই বিবাহ অনুষ্ঠানৰ প্ৰবৰ্তন তাক সঠিককৈ কব নোৱাৰি।

হিন্দু শাস্ত্ৰত আঠ প্ৰকাৰৰ বিয়াৰ উল্লেখ আছে। যেনে-ব্ৰাহ্ম, দৈৱ, আৰ্থ, প্ৰাজাপত্য, অসুৰ গন্ধৰ্ব্ব, ৰাক্ষস আৰু পৈশাচ। নানা ধৰ্ম্ম-গ্ৰন্থ আৰু পুৰনি অসমীয়া সাহিত্যতো বিভিন্ন প্ৰকাৰৰ বিয়াৰ উল্লেখ আছে। গোৱালপৰীয়া লোক সাহিত্যতো বিভিন্ন প্ৰকাৰৰ বিয়াৰ উল্লেখ পোৱা যায়। আজি-কালি সমাজত সাধাৰণতে প্ৰজাপত্য বিবাহেই চলে। প্ৰাজাপত্য বিবাহত দৰা আৰু কইনাই উভয়ে ধৰ্ম্মাচৰন আৰু বংশৰ ধাৰা-অব্যাহত ৰখাৰ প্ৰয়োজনত বিবাহ পাশত আবদ্ধ হয় সমাজ বিদ্যমানে।

সকলো সাহিত্যতে মূল কাহিনী বা বিষয়ৰ লগতে জাতিৰ চিন্তাধাৰা আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, উৎসৱ পাৰ্ব্বন আদিৰ চিত্ৰ প্ৰকাশ পায়। এয়া সকলো দেশৰ জাতীয় সাহিত্যৰ প্ৰধান বৈশিষ্ট্য। গোৱাল পৰীয়া লোক সাহিত্যও এনে বৈশিষ্ট্যৰে সমৃদ্ধ। গোৱাল-পৰীয়া চহা কবি সকলেও মূল বিষয় বস্তুৰ বৰ্ণনা কৰাৰ লগতে গোৱাল-পৰীয়া সমাজ জীৱণৰ কথা আৰু গোৱালপাৰাৰ প্ৰকৃতি জগতৰ চিত্ৰৰ বৰ্ণনা খুব সুন্দৰ ভাবে লোক সাহিত্যত দাঙি ধৰিছে। আমাৰ আলোচ্য প্ৰবন্ধটিত গোৱালপৰীয়া বিয়ানামত শাস্ত্ৰীয় বিধান আৰু লৌকিক আচাৰ-নীতিৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে সেই বিষয়েহে আলোচনা কৰা হৈছে।

অসমীয়া সমাজত বিয়াৰ নিয়ম নীতি সং-মিশ্ৰিত আৰু নানা সংস্কাৰেৰে সুসমৃদ্ধ। কিন্তু প্ৰাচীন কালত প্ৰচলিত বিয়াৰ শাস্ত্ৰীয় ৰীতি-নীতিবোৰ বৰ্তমান সমাজত বহু পৰিমানে পৰিবৰ্ত্তন হৈছে। তথাপিও একেবাৰে লোপ পোৱা বুলি কব নোৱাৰি। ঠিক তেনেদৰে গোৱালপৰীয়া বিয়াৰ ৰীতি নীতিও বৰ্তমান সমাজত বহু পৰিবৰ্ত্তন হৈছে। –

গোৱাল পৰীয়া বিয়াত প্ৰচলিত নীতি-নিয়মবোৰ গোৱালপৰীয়া বিয়ানামৰ চহা কবিয়ে খুব সুন্দৰ ভাবে ডাঙি ধৰিছে। লগতে গোৱালপৰীয়া সমাজ জীৱনৰ চিত্ৰও অংকিত কৰিছে। ইয়াৰ দ্বাৰা গোৱালপৰীয়া বিয়াত প্ৰচলিত ৰীতি নীতি আৰু চহা কবিৰ সুক্ষ্ম প্ৰতিভা গভীৰ সহনশীলতা অতি গুন পৰিস্ফুট হৈছে।

পুৰনি অসমীয়া সাহিত্যত পোৱাৰ দৰে গোৱালপৰীয়া লোক সাহিত্যতো বিয়া উপলক্ষে জোৰন বা ভাৰখোৱা, অধিবাস, পাণীতোলা, শ্ৰাদ্ধ কৰা গোসাঁই পূজা কৰা, নাউৱা কামোৱা, হালধি জাগোৱা দৰা-কইনা গাধোৱা, দৰা কইনা সজোৱা, দৰা আদৰা, আথৈ তোলা, কইনা সম্প্ৰদান কৰা, লগ্ন গ্ৰন্থি দিয়া আদি নানা ধৰণৰ শাস্ত্ৰীয় আৰু লৌকিক অনুষ্ঠানৰ স্তৰ বিন্যাসৰ প্ৰচলন আছে। গোৱালপৰীয়া বিয়া নামবোৰত এই অনুষ্ঠান বোৰৰ সুন্দৰ বৰ্ণনা পোৱা যায়।

বিয়াৰ প্ৰাৰম্ভিক কাৰ্য্য হিচাবে অসমীয়া সমাজত বিয়াৰ বাবে দৰাই কইনা চোৱা নিয়ম। প্ৰাচীন অসমীয়া সাহিত্যত এই কথাৰ উল্লেখ পোৱা যায়। গোৱালপৰীয়া সমাজতো এই নিয়ম প্ৰচলিত আছে। তলৰ বিয়া-নাম ফাঁকিৰ পৰা এই কথাৰ উপলব্ধি কৰিব পাৰি।
'বাপুৱে বোলে আইঅ' আইঅ' নকৰুং মই বিয়া মাহ মাৰতে গালি পাৰছে থুবকেৰ লাগিয়া। কইনাই বোলে আইঅ' আইঅ' নাই পাৰং মই-গালি সৃষ্টিৰ কালেৰ যে স্বামী হব আমিতো নাজানি।”

দৰাই কইনা চোৱাৰ উপৰিও দৰা-কইনাৰ মাক-দেউতাকে দৰা কইনা আৰু ঘৰ দুৱাৰ আদি চোৱা চিতা কৰি পচন্দ কৰে। উভয় পক্ষৰে পচন্দ হলে দৈৱজ্ঞ ব্ৰাহ্মনৰ হতুৱাই দৰা কইনাৰ ৰাহিজোৰা চাই দিন, বাৰ, লগ্ন আদি নিৰ্দ্ধাৰন কৰে। আৰু সেই মতে বিয়া পাতে। অতীততে অৱশ্যে দৰা কইনাৰ নিজৰ পচন্দ অপচন্দৰ লগত কোনো কথা নাছিল। মাক দেউতাকৰ পচন্দ হলেই বিয়া পাতি দিয়ে। আজিকালি পিছে সেই দিন নাই। এতিয়াৰ দৰাৰ কইনা বা কইনাৰ দৰা পচন্দ নহহে বিয়া পতা মস্কিল।

বিয়াৰ আগদিনা নাইবা দুই তিনিদিন আগতে 'জোৰন' বা 'তেলৰ ভাৰ' কইনাৰ ঘৰলৈ নিয়াৰ প্ৰথা গোৱালপৰীয়া সমাজত প্ৰচলিত। পুৰনি অসমীয়া সাহিত্য আৰু অসমীয়া বিয়া নামত উল্লেখ থকাৰ দৰে গোৱালপৰীয়া বিয়া নামতো এই জোৰণৰ উল্লেখ পোৱা যায়।

নীলমনেৰ জোৰন আইল নীল ঘোঁৰাত চৰিয়াৰে
বান্ধো ঘোৰা বাবাৰ দুৱাৰেৰ আগেৰে নীলমন
সোনৰ বাটায় গুৱাৰে নীলমন
ৰুপাৰ বাটায় পান .....

গোৱালপৰীয়া সমাজৰ ঠায়ে ঠায়ে এই 'জোৰনক' 'ভাৰ খুওৱা' বুলিও কয়।

“সাজাওৰে ভাৰখান মাৰদে গুৱা পান
ভাৱকে খুৱাবা যাং।”.....

জোৰন বা ভাৰ খুৱাবলৈ যাওতে বাটত দেৱ দেৱীৰ থান বা মন্দিৰ আদি থাকিলে

তাত তামোল পান দি সেৱা কৰিব লাগে। বিয়া নামত আছে—

বাটে বাটে যাবি বাপু
পাবি আগ্‌ত থান
গাওত যদি কানা লাগে
লবি জৰিমানা .....

জোৰনত কইনাৰ বাবে বিবিধ অলংকাৰ কাপোৰ আদি দিয়াৰ নিয়ম দেওধাই অসম বুৰঞ্জীত খোৰা ৰজাই কন্যা খুজি পঠিওৱা জোৰনত সোনৰ খাৰু, বালা, আঙঠি কাপোৰ আদি বিবিধ বস্তুৰ উল্লেখ আছে। জোৰন ৰা ভাৰ গৈ কন্যাৰ ঘৰ পোৱাৰ লগে লগে কইনা ঘৰৰ নামাতী সকলে ভাৰ জোৰনত কি কি আনিছে সোধে—

আগেৰ ভাৰতে কি কি আনিছা
চোতলেৰ মাজতে থোৱা,
অহে বৰেৰ ভাই কি কি আনিছা
ৰাইজেৰ আগতে কোৱা। ....

শাহু আই, জাঁ আৰু নন্দেকলৈ প্ৰত্যেক নাৰীৰেই স্বভাৱজাত ভয় থাকে। দৰা বা দৰাৰ দেউতাকে জোৰনৰ বাবে নতুনকৈ সোনৰ অলংকাৰ বা শাৰী আদি কিবা কাৰনত কিনিব নোৱাৰি দৰাৰ ন-বৌ বা ভনীয়েকৰ নতুন দামী নেকলেচ্‌ শাৰী আদিৰে বিয়াৰ জোৰন পিন্ধাব খোজে। তেতিয়া কইনাৰ হৈ নামতি সকলেই এই কথা সকলোৰে কৰ্ন গোচৰ কৰে এইদৰে—

"আম ফলে নদীতে জাম ফলে খালতে
চাৰিয়া অইলাম বালী কমৰেৰ শাৰী
পিন্ধো পিন্ধো বালী আমাৰ ভাউজীৰ শাৰী
নাপিন্ধো সদাগৰ তোমাৰ ভাউজীৰ শাৰী
আধা ঘাটতে গেলে খটনা দিবে।
বাৰীত নাগেলে খচেয়া দিবে।
নাপিন্ধো সদাগৰ তোমাৰ বইনেৰ নেকলেচ্‌
আধাৰাস্তা গেলে গালিনা পাৰাইবে
বাৰীত না গেলে কাঢ়িয়া দিবে। ......

'অধিবাস' গোৱালপৰীয়া বিয়া পদ্ধতিৰ এটি অনুষ্ঠান। এই অধিবাস বিয়াৰ আগদিনাখন হয়। প্ৰাচীন অসমীয়া সাহিত্যত এই অধি-বাসৰ উল্লেখ পোৱা যায়।

"কালি বিবাহেৰ দিন আজি অধিবাস"
(রুক্মীনি হৰন কাব্য)

আজি ৰামেৰ অধিবাস
কালি ৰামেৰ বিয়া।
পৰশু দিনা লয়া যাব ৰাধাক
সিন্দুৰেৰ ফটা দিয়া।"

বিয়াৰ উপলক্ষে দৰা কইনা উভয়েৰে ঘৰত 'পানী তোলা' নিয়ম। পানী তুলিবলৈ যাওঁতে চুলিয়া নামাতি সকলেও লগত যায়। বিয়া নামত এই পানী তোলাৰ উল্লেখ আছে।

"তাম কলসি উলিয়াদেৰে ভাঙা ফুটা চাং"—
বাপুৰ বিবাহেৰ পানী তুলিবা যাং"—

অসমীয়া সমাজত বিবাহ উপলক্ষে শ্ৰাদ্ধ আদি পতাৰ নিয়ম। পুৰনি অসমীয়া সাহিত্যতো এই শ্ৰাদ্ধৰ উল্লেখ আছে।

"নান্দী মুখ শ্ৰাদ্ধ আদি পাতিলা সম্প্ৰতি।"
(হৰ গৌৰী বিবাহ পুথি)

তেনেদৰে গোৱাল পৰীয়া বিয়া নামতো শ্ৰাদ্ধৰ উল্লেখ আছে।

"বিউ বিউ বাওঁহনি জাওঁতে লাগিলা।
কলৰ পাত পৰি বাপু শ্ৰাদ্ধত বহিলা।"

বিয়াৰ দিনাখন দৰা কইনাক মাহহালধিৰে গা ধোৱা হয়। "হৰগৌৰী বিবাহ" পুথিত শিৱৰ বিয়া প্ৰসংগত নোৱা ধোৱাৰ কথা উল্লেখ আছে। গোৱালপৰীয়া বিয়া নামতো দৰা কইনাক মাহ-হালধীৰে নোৱা ধোৱাৰ (গা ধোৱাৰ) উল্লেখ আছে। দৰা কইনাক গা ধোৱাৰ আগেয়ে 'মাহতুলিধি জাগা' এটি অনুষ্ঠানৰ উল্লেখ গোৱাল পৰীয়া নামত পোৱা যায়।

"হালধি বটা পাটা খনি কালাই বটা পাটা
একে বাপু চন্দ্ৰ কালা আৰো ৰদেৰ ছাটা।"

এনেদৰে হালধি জাগাই দৰা কইনাক গা ধোৱাৰ আগতে নাপিতে দৰা কইনাক নখ আদি কাটি দিয়ে। ইয়াৰ উপৰিও বিয়াৰ নিশা 'গৰ গচন' বুলি অনুষ্ঠান আছে। নাপিতে এই অনুষ্ঠানত দৰা কইনাৰ মূৰত হাত থৈ আশীৰ্ব্বাদ দিয়ে। বিয়া নামত আছে -

"কৰ পৰা আহিলি নাউৱা মুৰত দিলি হাত
কিবা জাতি কিবা কূল নকলি আমাক।
কৰ পৰা আহিলি নাউৱা হাতত নাই ছাতা
ভাল কৰিয়া কয়া যাবি হৰগৌৰিৰ কথা।"

দৰাৰ গাধোৱা হলে কি কাপোৰ পিন্ধিব পাৰে আৰু কি কাপোৰ পিন্ধিব নোৱাৰে তাৰ বৰ্ণনা বিয়া নামত আছে।

এনেদৰে - গা ধুই বাপু পটুবাটে ভবি
কি কাপুৰ পিন্ধিবা পাৰে
সূঁতাৰো নালাগে মুগাৰো নালাগে
সেই কাপুৰ বাজাৰত নাই
ছাতেঁ শুকাব মুঠিতে লুকাব
সেই কাপুৰ পিন্ধিবা পায়।

দৰা-কইনাৰ গা ধোৱা হলে সজোৱা হয়। দৰা সজোঁৱাক গোৱালপাৰাৰ ঠায়ে ঠায়ে দৰা কাছ 'বা' বৰকাছা বুলি কয়।

কিছুমানে দৰাক বৰ, নীলমন, সদাগৰ, বাপু আদি কোৱাৰ উপৰিও ৰাম, শ্ৰীকৃষ্ণ আৰু শিৱ বুলিও কল্পনা কৰে। তেনেদৰে কইনাক আয়া, বালী, ঝুমুৰ, নীলমতি, সীতা ৰাধে, পাৰ্ব্বতী বুলি বৰ্ণনা কৰে। দৰা সজাওতে কেনেদৰে সজোৱা হয় তাৰ আভাষ গোৱাল পৰীয়া বিয়া নামত চহা কবিয়ে সুন্দৰ ভাৱে দাঙি ধৰিছে।

'কালি মাৰে ফটা মনিৰ ৰাজেৰ ভাই
ভালকে মাৰিবা ফালি বিবাহতে যাই
গায়া চলা পিন্ধে ৰামেজ মস্তকেৰ বেদৰ
চলিছে শিৱেৰ ফালি মস্তকেৰ উপৰ।"

দৰা সজোঁৱা কাঁছোৱা হলে দৰাই গুৰু-জনক সেৱা কৰি কন্যা ঘৰলৈ বুলি যাত্ৰা কৰা নিয়ম। কইনা ঘৰত দৰা উপস্থিত হোৱাৰ পাছৰ পৰা বিবাহ মণ্ডপত যি উখল মাখল লাগে, তাৰ লগে লগে দৰা কইনাক সমাজ বিজ্ঞানে পানিগ্ৰহন পুৰুহিতৰ বিধিবৎ যাগ-যজ্ঞ আৰু মন্ত্ৰোচ্চাৰন উছৰ্গাপ্ৰদান, আখৈ তোলা, দৰা কইনাক আয়তীসকলে কৰা আচাৰ অনুষ্ঠান, শেষান্তত মান্যজনক 'মানধতা" আদি অনুষ্ঠানৰ বিৱৰন প্ৰৱন্ধৰ কলেৱৰ বঢ়াৰ ভয়ত ইয়াত সন্নিবিষ্ট কৰিব পৰা নগল।

000

# আজিৰ বিকাৰগ্ৰস্ত যুৱমানসিকতাৰ নিৰাময়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভূমিকা—

নিখিল দাস, স্নাতক ৫ম বৰ্ষ।

দুষ্ট কলি সৰ্পে সবাকো দংশিলে
হৰাইল চেতন জ্ঞান।
ইয়াৰ ঔষধ সুধা ৰাম নাম
বিনে নাহি নাহি আন। (নামঘোষা)

সময়ৰ কুটিলগতিত নানা ধৰণৰ সমস্যাৰে জৰ্জৰিত হোৱা মানৱ সমাজৰ প্ৰতি মহাপুৰুষ মাধৱদেৱৰ এয়া অমূল্য উপদেশ। জ্ঞান বিজ্ঞান চিন্তা-চৰ্চা, শিক্ষা দিক্ষা আদি সকলো বিদ্যাৰে ভূষিত হোৱা সত্তেও আজিৰ সমাজৰ অৱস্থা অতি দুখ লগা। বৰ্ত্তমান সমাজত চলি থকা হত্যা-লুণ্ঠন, ধৰ্ষন-অপহৰন আদি নানা ধৰনৰ অপসংস্কৃতিয়ে মানৱ সমাজক বাৰুকৈয়ে আঘাত হানিছে। ইয়াৰ প্ৰথম কাৰন হৈছে— সমাজত মানৱীয়তা আৰু আধ্যাত্মিকতাৰ অপমৃত্যু ঘটিছে। দ্বিতীয়তে-মানুহৰ মাজত ভোগবিলাসৰ প্ৰতিযোগিতাই নিজক বিজয়ী কৰাৰ প্ৰয়াস আৰু তৃতীয়তে-সমাজৰ একাংশলোকে আত্মসচেনতা, আত্ম সন্মান বজাই ৰখাত অপৰাগ হোৱাতো। সমাজৰ এনেবোৰ ভাৱ-চিন্তায় যুৱসমাজৰ মানসিকতাত বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰিছে। ফলশ্ৰুতিত যুৱমানসিকতাৰ বিকাৰ গ্ৰস্ততা জ্বলি উঠিছে।

কিন্তু এই বিকাৰগ্ৰস্থ যুৱমানসিকতা নিৰ্মূল কৰাৰ উপায় আছেনে? কোনে বাৰু এই বিকৃত যুৱমানসিতা নিৰ্মূল কৰিব পাৰিব? পাৰিব দেশৰ ভৱিষ্যত কৰ্ণধাৰ স্বৰূপ শতকৰা নৱৈব ভাগ তৰুন সকলেহে। কিন্তু এই কথা ভাৱি আকৌ ভয় লাগে কাৰন আজিৰ সমাজৰ যুৱকেই বিকৃত যুৱমানসিকতাৰ বলি হৈছে। প্ৰশ্ন হৈছে কেনেদৰে?

সমাজৰ এই নানান ধৰনৰ সমস্যা নিৰাময়ৰ আদৰ্শ আমাক গুৰুজনাই অনেক দি থৈ গৈছে। আমি মাত্ৰ গ্ৰহন কৰিবলৈ শিকা নাই। এই বিকৃত যুৱমানসিকতাৰ বাবে আমি যুৱক সকলেই কেৱল নিজে দোষী নহয়। সামগ্ৰিকভাৱে দেহাতো ৰোগাক্ৰান্ত হলে আমি যেনেদৰে এটা বা দুটা অঙ্গক দোষ দিব নোৱাৰো, তেনেদৰে যুৱমনৰ স্খলনৰ বাবে আমাৰ অগ্ৰজ সকলো সমানে দায়ী।

গুৰুজনাৰ শিক্ষা আদৰ্শ অনুসৰন কৰি আমি এই বিকৃত যুৱমানসিকতা বোধ কৰিব লাগিব। গুৰুজনাই দি থৈ যোৱা কৃষ্টি সংস্কৃতি, সাহিত্য দৰ্শন আদি বিষয়ৰ বিস্তৃত অধ্যয়ন কৰি আমি যুৱমনৰ বিকৃতি বোধ কৰিব লাগিব।

গুৰুজনাই ৰচিত গীত-নৃত্য বাদ্যৰ অভ্যাসৰ দ্বাৰা আমাৰ সংস্কৃতিৰ বিকাশ ঘটিব। সংস্কৃতিক শিক্ষাই আমাৰ বাট পোহৰ কৰিব। এই বিকাৰ গ্ৰস্ত যুৱমানসিকতা বোধ কৰিবলৈ নানান সাংস্কৃতিক শিক্ষাদৰ্শ গ্ৰহন আচৰন কৰিব লাগিব। আমি আবেলি ক্লাবলৈ নগৈ বা প্ৰেমাৰ্থে সময় নষ্ট কৰিবলৈ নগৈ ওচৰতে থকা নামঘৰটোলৈ গৈ বৰগীত, খোলবাদ্য, ভাওনা আদিৰ আখৰা কৰিব পাৰো আৰু তেতিয়াই আমাৰ বিকাৰ গ্ৰস্ত সমাজজীৱনৰ পৰিবৰ্ত্তন হব; আৰু সমাজে বিকাশ লাভ কৰিব।

আজি অসমীয়া জাতীয়ে জাতীয় জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে হতাশা আৰু দুৰ্দশাৰ মাজেদি আগবাঢ়িছে। ইয়াৰ কাৰন হৈছে আমি ইতিহাস অধ্যয়ন কৰিলে পাওঁ যে প্ৰতিটো জাতিৰ একো একো জন পথ প্ৰদৰ্শক থাকে। এই ক্ষেত্ৰত অসমীয়া জাতীৰ পথ প্ৰদৰ্শক মহাপুৰুষ শ্ৰীমন্তশংকৰদেৱ। কিন্তু আজি অসমীয়া জাতিয়ে গুৰুজনাক পাহৰি বাহিৰা গুৰুৰ আশ্ৰয়লৈ অসমীয়া জাতি গঢ়াৰ চেষ্টা কৰিছে। কিন্তু ই জাতি গঢ়াৰ চেষ্টা নহয়, ই হৈছে নিজকে আনৰ লগত বিলাই দিয়াৰ চেষ্টা। অসমীয়া জাতিৰ এনে মতিভ্ৰম দেখি কাহানিবাই লক্ষীনাথ বেজবৰুৱাদেৱে খেদ প্ৰকাশ কৰি কৈছিল—

"মোক গুৰু লাগে মই শিক্ষিত শিষ্য
জগতৰ জানৰী দিলো।
জগতৰ গুৰু ঘৰতেই আছে
আমি অন্ধলাই নেদেখিলো।।

সাহিত্যৰথী লক্ষীনাথ বেজবৰুৱাই কৰৰ দৰে আমি শিক্ষিত শিষ্য সকলে ধৰ্মত দীক্ষা লবলৈ গুৰুৰ সন্ধানত হাবাথুৰি খাই ফুৰিছো। অসমৰ বাহিৰৰ গুৰু সকলৰ ওচৰত নিৰ্বিচাৰে ধৰ্মত দীক্ষালৈ ফুৰিছো। আমি অসমীয়া জাতিয়ে মানৱতা বিহীন ধৰ্মক অনুসৰন কৰি প্ৰকৃত মানৱ ধৰ্মৰ সনাতন সত্যৰ পৰা আতৰি পথভ্ৰষ্ট হৈ পৰিছো। হত্যা লুণ্ঠন ধৰ্ষন কুসংস্কাৰ আচৰন আদিৰ অপসংস্কৃতিৰ চক্ৰবেহুত সোমাই পৰিছো; লগতে দেশৰ ভৱিষ্যত কৰ্ণধাৰ স্বৰূপ যুৱক-যুৱতী সকলক বিপথে পৰিচালিত হোৱাত প্ৰকাৰন্তৰে সহায়ক হৈছো। ফলস্বৰূপে যুৱক যুৱতী সকলে অভিভাৱকৰ প্ৰকৃত শিক্ষাৰ পৰা আতৰি হীনমন্যতাৰ কৱলত পৰি মানসিক বিকাৰ গ্ৰস্ত হৈ নানা ধৰণৰ হত্যা লুণ্ঠন, ড্ৰাগচ আদি দ্ৰব্য সেৱন কৰি সংস্কৃতিবিহীন অধৰ্ম আচৰন কৰি অপসংস্কৃতিৰ মাজত ডুব গৈছো। তাৰ কাৰন জগতৰ গুৰুক আমি অন্ধলাই চিনিব পৰা নাই। অথচ যিজনা গুৰুয়ে আজিৰ ৫৫০ বছৰ মান আগতে সেই সময়ৰ অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত থকা বিচ্ছিন্নতা নিৰ্মূল কৰি সকলোকে একমন-একপ্ৰাণক জাতীয় সংহতীৰ এনাজৰীৰে বান্ধি ৰাখিছিল।

ভাগৱতত তেৱাৰ লিখনিত পোৱা যায়—

কিৰাট কাছাৰি খাচী গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
অসম মুলুক ধোৱা যে তুৰুক
কুৱাচ ম্লেচ চণ্ডাল।।

এইবোৰ জাতি-উপজাতিক একত্ৰিত কৰি বৃহত্তৰ অসমীয়া জাতি গঢ়ি তুলিছিল।

তেৰাই অসমীয়া জাতি তথা জগতৰ মানৱক দি যোৱা অৱদান সমূহ অসমৰ কীৰ্ত্তিস্তম্ভ। সেয়ে লক্ষীনাথ বেজবৰুৱাই সদৰ্পে কৈ গৈছে-

আমি অসমীয়া নহও দুখীয়া
কিহৰ দুখীয়া হম।

সঁচাকৈয়ে অসমীয়া জাতি অসমীয়া ভাষা সাহিত্য, ধৰ্ম সংস্কৃতিৰ দুখীয়া নহয়। বৰঞ্চ পৃথিৱীৰ জাতিতকৈ চহকীহে। কিন্তু আমি অসমীয়া জাতীয়ে গুৰুজনাই দি থৈ যোৱা অৱদান সমূহৰ অধ্যয়ন, অন্বেষন আৰু পালন পোষনৰ প্ৰতি আগ্ৰহশীল নহওঁ। লক্ষীনাথ বেজবৰুৱাই ঠিকেই কৈছে –

সকলো আছিল সকলো আছে
নুগুনো নলও গম।

গুৰুজনাই দি থৈ যোৱা ভাষা সাহিত্য কৰ্ম ৰাজি, খোল তাল নাট-ভাওনা আদি অনবদ্য সংস্কৃতিৰ সঁফুৰাৰ গণতান্ত্ৰিকভাবে চিন্তা-চৰ্চ্চা কৰা নামঘৰৰ প্ৰতি আমি অনীহা প্ৰকাশ কৰি আহিছো। অসমত চলা নানা ধৰ্মগুৰুৰ প্ৰাদুৰ্ভাৱে গুৰুজনাৰ মানৱ ধৰ্মৰ মানৱতাবাদৰ বিমূখতাই ঢাকি ধৰিছে, একত্ৰিত অসমীয়া জাতি উপজাতিৰ মাজত বিভেদৰ সৃষ্ঠি কৰি ধৰ্মৰ সত্যাৰ্থ লোপ পাৱলৈ ধৰিছে। অগ্ৰজসকলৰ অভিভাৱকত্বৰ অনীহাই যুৱ সমাজৰ মানসিক বিকাৰ ঘঠাই যুৱসমাজক হত্যা, ধৰ্ষন, অত্যাচাৰ, অনাচাৰ আদি অপসংস্কৃতিৰ মাজলৈ ঠেলি দিছে। সেয়েহে ডঃ ভূপেন হাজৰিকাই গীতৰ মাজেৰে কৈছে—

"আজিৰ অসমীয়াই নিজক নিচিনিলে অসম ৰসাতলে যাব।"

অসমীয়া সমাজে এই গীতৰ অৰ্থ বুজিবলৈ হলে অসমদেশৰ বুৰঞ্জীৰ পাত লুটিয়াব লাগিব। সৰ্বগুনাকৰ ভগেত্তৰে গুৰু শ্ৰীমন্ত শংকৰ দেৱক বুজিবলৈ যত্ন কৰিব লাগিব। তেৰাই প্ৰচাৰ কৰা একশৰন হৰিনাম ধৰ্মত নিহিত বিশ্বজনীন মানৱ ধৰ্মক বুজিবলৈ যত্ন কৰিব লাগিব। তেৰাৰ ভাষা সাহিত্য সংস্কৃতিৰ বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ বিশ্লেষন কৰি তাৰ মৰ্ম বুজিবলৈ যত্নপৰ হব লাগিব। তেতিয়াহে অসমীয়া জাতিয়ে নিজকে চিনিব পাৰিব আৰু অসম দেশক ৰসাতলে যোৱাৰ পথৰ পৰা ৰক্ষা কৰিব পাৰিব।

আজিৰ যুৱসমাজৰ পাশ্চাত্য সাহিত্যৰ প্ৰতি আকৰ্ষিত হৈছে। মহাপুৰুষ জনাই দি থৈ যোৱা ঘোষা বৰগীত কীৰ্ত্তন ভাওনা, নাটক আদিৰ সমাদৃত হৈছে। আজিও ঠায়ে ঠায়ে এই গীত নাট সমূহৰ প্ৰচলন হৈ আছে যদিও সি এনেকুৱা বিকৃতি ৰূপ লৈছে যে সেইবোৰ গুৰুজনাৰ সৃষ্টি বুলি কবলৈ টান লাগে। কিয়, এনেকুৱা হোৱাৰ বাবে দায়ী কোন? দায়ী আমি বোৰেই এই ভুল ত্ৰুটি বিলাক শুদ্ধ ৰূপলৈ আনিবলৈ চেষ্টা কৰিব লাগিব। নহলে গুৰুজনাই দি থৈ যোৱা এই অমৃত ভাণ্ডাৰ পাশ্চাত্যৰ প্ৰভাৱত নিঃশেষ হৈ যাব।

গুৰুজনাই দি থৈ যোৱা আদৰ্শ আমি শ্ৰদ্ধা সহকাৰে গ্ৰহন কৰি অনুপ্ৰাণিত হব লাগিব। তেতিয়াহে আমি সমাজখনক শুদ্ধ ৰূপত সজাব পাৰিম। সমাজৰ প্ৰতিটো কাম গুৰুজনাই দি থৈ যোৱা আদৰ্শৰে কৰিবলৈ চেষ্টা কৰিলে বা আমাৰ এই উশৃংখল বা বিকৃত যুবমানসিকতা ৰোধ হব বুলি আঁশা কৰিব পাৰি।

এইদৰে গুৰুজনাই শিক্ষাদৰ্শ, ধাৰন, পালন আচৰন কৰি আমাৰ যুৱসমাজে সুস্থ মানসিকতা গঢ় দিব পাৰিব। তেতিয়াহে আমাৰ সমাজ অৰ্থাৎ মানৱ সমাজৰ কল্যান হব।

0 0

# গল্প

## —ঃ মায়াৰ বন্ধোন ঃ—

শ্ৰী শ্যামল কলিতা
স্নাতক দ্বিতীয় বৰ্ষ।

শৰৎ কালৰ পূৰ্ণ চন্দ্ৰমাৰ নিশা। আকাশৰ মেঘৰ মোহনাত থকা হাঁসধীয়া জোনটোৰ স্নিগ্ধ পোহৰত বিজুলী লাইটৰ পোহৰবোৰ নিস্প্ৰভ হৈ পৰিছিল। ঘৰৰ আগ চোতালত বহি বহি জোনৰ অপৰূপ জ্যেউতিৰ কথাকেই ভাবিছিলোঁ। ৰাতিৰ গভীৰতা ক্ৰমান্বয়ে বাঢ়ি অহাত মানুহৰ হাই উৰুমি লাহে লাহে বিলীন হৈ গল নিশাৰ আকাশত অন্বেশ্যে কেইটা মান নিশাচৰ প্ৰাণীয়ে তেতিয়াও বিচৰণ কৰি আছিল আহাৰৰ অন্বেষনত। জোনৰ পোহৰত ঘৰৰ সম্মুখত থকা ফুলনিখন যেন হৈ পৰিছিল ইন্দ্ৰকাননত

কৈও বেছি উজ্জ্বল আৰু মধুময়। এঘণ্টা দুঘণ্টা কৈ কেইবাঘণ্টা সময় অতিবাহিত হল। অনিচ্ছা আৰু অজ্ঞাততে চিল্‌মিল কৈ টোপনি আহিছিল। নিদ্রাদেৱীৰ কোলাত তন্দ্রালস হৈ থাকোতে হঠাৎ আকাশেদি এজাক চৰাইৰ উৰি যোৱা শব্দ কৰ্ণপাত হোৱাত টোপনি ভাঙি গ'ল। একপ্রকাৰ আচৰিত হৈ থিয় হলোঁ।

দুপুৰ নিশাৰ এই নীৰৱ নিস্তব্ধতাত চৰাই জাক কিয় উৰি যাব লাগিছে? পৰিবেশটো নতুন নতুন লাগি গ'ল। কিবা এটা গভীৰ ভাৱত শঙ্কিত আৰু চিন্তান্বিত হৈ সন্দিহান দৃষ্টিৰে এখোজ দুখোজকৈ কেইবাখোজ আগুৱাই গ'লো। মূৰটো বাৰুকৈয়ে ঘূৰালে। ঘৰৰ আগৰ খাঁহনি ডবাতেই বহি পৰিলোঁ। কিছুসময় নিস্তব্ধ হৈ লাহে লাহে সুস্থ হৈ উঠিলো। ইতিমধ্যে মোৰ সংজ্ঞাহীন সময় ছোৱাত হয়তো চৰাইৰ জাকটো বহুত নিলগলৈ আঁতৰি গৈছিল। চৰাইৰ জাক ক'ৰবাৰ পৰা আহিল আৰু ক'ৰবালৈ উৰি গুচি গ'ল। কিন্তু মোৰ কল্পনা ৰাজ্যত জগাই গ'ল সময়ৰ সোঁতত আৰু কালৰ বুকুত বিলীন হৈ যোৱা অতীতৰ মাদকতাৰে ভৰা এটি বিষাদ মধুৰ বিস্ময়কৰ করুন কাহিনী—

আজিৰ দৰে সেই নিশাও আছিল শৰৎ কালৰ পূৰ্ণিমাৰ নিশা। আকাশৰ পৰা বিয়পি পৰা জোনৰ হীৰাফুলীয়া পোহৰে জান জুৰি, নৈ, বিল, পৰ্বত বন সকলোকে ৰূপোৱালী কৰি বোলাইছে। জোনৰ সোণোৱালী জেউতী আৰু অপৰূপ সৌন্দৰ্য্য সুধা পান কৰি কৰি কিবা এটি অবুজ ভাষাত ভাৱান্বিত হৈ উভতিছিলো ঘৰলৈ। বনত ভয় নাথাকিলেও মনত ভয়লৈ অকলশৰে আহি আছিলোঁ। নিংসঙ্গতা আৰু নিৰ্জনতাত মনটো জাডুৰ খাই উঠিল। হঠাৎ নিৰ্জনতা ভেদ কৰি কিহবাৰ করুন অথচ ভয়াবহ আৰ্ত্তনাদ শুনিবলৈ পালোঁ। চঁক্‌ খাই উঠিলো। খন্তেক ৰলোঁ। এখোজ দুখজকৈ আগুৱাই গ'লো। বহুত বিচাৰিলোঁ। কিন্তু একোৱেই দৃষ্টিগোচৰ নহ'ল। হঠাৎ অলপ নিলগত এটি জোঁপোহাৰ কাষত অসহায় অৱস্থাত এটি কুলি চৰাই পৰি থকা দেখিবলৈ পালোঁ। আথে বেথে বুটলি আনিলো ঘৰলৈ। অনাহাৰত চৰাইজনী ক্ষীনাই গৈছিল পাখিবোৰো ৰ'দত লেৰেলা ফুলৰ দৰে মৰহি গৈছিল। হয়তো কোনোবা নিষ্ঠুৰ চিকাৰীৰ বিষ কাঁড়েৰে বিদ্ধ হৈ তাৰ মাক এই মায়া ভৰা পৃথিৱীখনৰ পৰা চিৰদিনৰ ক'ৰনে বিদায় লৈছিল। চৰাইজনীৰ দৃষ্টিত পৰিস্ফুটিত হৈছিল—

অসহায়তা, আকুলতা আৰু করুনাপূৰ্ণ চাৱনী। বৃষ্টি চুম্বনৰ পৰশ নাপালে বসন্ত কালৰ গছফুল মৰহি যোৱাৰ দৰে মাতৃ বিয়োগত চৰাইজনীয়ে হৈ পৰিছিল বিষাদ বিমনা। অকলমান আশ্রয় আৰু নিৰাপত্তাৰ বাবে সি যেন হৈ পৰিছিল ব্যাকুল। চৰাইজনীৰ মায়া ভৰা আৰু কাৰুণ্য চাৱনীয়ে মোৰ অন্তৰত অঙ্কুৰিত কৰিলে এক অজান মৰম চেনেহৰ লহৰ। নিয়ৰে যিদৰে সতেজতা আনে পুৱাৰ ফুল পাহিলৈ ঠিক সেইদৰে চৰাইজনীও মোৰ



মৰম চেনেহৰ মাজত সতেজতা লাভ কৰিছিল। এক বিমল আনন্দ আৰু উলাহত মোৰ বুকু শাঁত পৰি গৈছিল চৰাইজনীয়েও অনুভৱ কৰিব পাৰিছিল অপৰিসীম আনন্দ। আনন্দত আত্মহাৰা হৈ বনাইছিলো তাৰ বাবে এটি ধুনীয়া সজা। সজাৰ পৰা কেতিয়াবা ওলাই গৈছিল আকৌ উভতি আহিছিল। সজাৰ দুৱাৰ বন্ধ কৰাৰ প্রয়োজনেই বোধ কৰা নাছিলোঁ।

মাতৃহীন চৰাইজনীয়ে হয়তো মাকৰ অপত্য মৰম-চেনেহ ইয়াতেই পূৰ্ণভাবে পাইছিল। সেয়ে তাৰ মাজৰ পৰিলক্ষিত হৈছিল মৰম চেনেহ আৰু পূৰ্ণ কৃতজ্ঞতাৰ নিদৰ্শন। ছেক্স পীয়েৰৰ 'টেমপেষ্ট' নাটকত এৰিয়েলে ফাৰ্ডিনাণ্ডক গীত মুগ্ধ কৰি মীৰান্দাৰ কাষত উপস্থিত কৰোৱাৰ দৰে চৰাইজনীও সদায় পঞ্চম সুৰত সু-মধুৰ গীত গাই গাই মোক বাৰুকৈয়ে সম্মোহিত কৰি তাৰ অধিক ওচৰ চপাই নিছিল। সামান্য এটি কুলি চৰাইৰ মাজতো পৰিলক্ষিত হৈছিল 'মৰম-চেনেহৰ বহুত তত্ত্ব। এয়াই ভাল পোৱাৰ জলন্ত দৃষ্টান্ত। প্রকৃত ভালপোৱাৰ মাজত আছে এক অপৰিসীম শক্তি আৰু স্বৰ্গীয় ভাৱ প্রৱণতা। সেয়ে হয়তো প্রেমত গৰ্বত হাফিজে কৈছিল—"চিৰাজৰ সেই মনোহাৰিণী ৰূপহীয়ে যদি এবাৰ মোৰ হিয়াৰ কাষত ধৰা দিলেহেঁতেন, তেওঁৰ গালৰ এটা তিলৰ কাৰনে মই বিলাই দিলোহেঁতেন, হিন্দুস্থান চমৰখন্দ, বোখৰা সকলো ৰাজ্য-সাম্রাজ্য।" এই অকৃত্রিম আৰু নিঃস্বাৰ্থ ভালপোৱাৰ কাৰনে হয়তো জগতখন অনাদি কালৰ পৰা বৰ্তমানলৈ অবিৰাম ভাবে চলি আছে আৰু চলি থাকিব, কিন্তু পৃথিৱীৰ পৰা প্রকৃত ভালপোৱা যিদিনাই নোহোৱা হ'ব বা প্রেম প্রীতি ভালপোৱাৰ মাজত প্রৱঞ্চনা, প্রতাৰণা আহিব সেইদিনাই ইহজগতখন ধ্বংসহৈ যাব স্বাৰ্থান্বেষী সকলৰ পৰি সমাপ্তি ঘটিব।

সময় আগবাঢ়িছিল মাহ বাগৰিছিল বিমল আনন্দ আৰু উলাহত। এটি দুটি কৈ পাৰ হৈছিল কেইবাটি বছৰ। অপ্রবৃত্তি সু-মনটোৰে চৰাইজনীৰ কথাই ভাবিছিলোঁ। সি যেন হৈ পৰিছিল প্রণয়ৰ ধ্রুৱজ্যোতি। ভাবিছিলো সি মোক এৰি কলৈকো নাযাব, যাব নোৱাৰিব। কিন্তু হঠাৎ এদিন ফুলকলি হেন কোমল বুকুখনি মোলৈ শিলকঠুৱা কৰি সজাৰ পৰা মোৰ অতি মৰমৰ, অতি চেনেহৰ, অতি আদৰৰ চৰাইজনী কৰবালৈ উৰি গুচি-গ'ল। বুকুখন হাহাকাৰ কৰি উঠিল। মৰ্মাহত হৈ পৰিলোঁ। চৰাইজনী মোক এৰি গুচি যাব সেইটো মই বিশ্বাস কৰিব পৰা নাছিলো। অনুসন্ধান কৰিছিলো গোটেই বাৰীখনতে। কিন্তু নাই! কতো নাই! তেন্তে কি হ'ল? কলৈ গ'ল? কোনে নিলে? মনত এশ একুৰি প্রশ্নৰ উদয় হৈ অস্থ গ'ল। মইয়ে তাক প্রকৃত মৰম দিব পৰা নাইনে? নাই! নাই। সিয়ে মৰমৰ বীজ অঙ্কুৰিত কৰি অধাবতে ফাঁকি দিলে। প্রৱঞ্চনা কৰিলে, প্রতৰণা কৰিলে। অহ? উপকাৰ কৰিলে অস্বীকাৰ কৰে। বিশ্বাস কৰিলে ক্ষতি কৰে কথাযাৰ মিছা নহয়। মৰম-চেনেহৰ মাজতো

আছে বিশ্বাস ঘাতকতাৰ ছলনা—এয়াই প্ৰকৃতিৰ নিয়ম নে? মৰমৰ প্ৰতিদান অনুতাপ আৰু অনুশোচনাইনে? হঠাৎ ৰঘুনাথ চৌধুৰীয়ে লিখা এফাঁকি কবিতা মনলৈ আহিল-

"বিফল জীৱন মোৰ বিফল সাধনা
পালো ওৰে জীৱনত সহস্ৰ বেদনা।"

তৎসত্বেও কেতিয়াবা কেতিয়াবা নীলাভ আকাশদি উৰি ফুৰা কুলি চৰাইৰ জাক বিলাকত মোৰ সেই কলিজাৰ টুকুৰা সদৃশ কুলিটোক মনে মনে অনুসন্ধান কৰো। কি নিলৰ্জ্জ কি ভয়াবহ বান্ধোন নিৰাশাৰ অন্তৰালতো আশাৰ সঞ্চাৰ হয় তাক পোৱাৰ বাবে অতীতৰ মধুৰ স্মৃতি ৰোমন্থন কৰি কিজানিবা সি আকৌ উভতি আহে নিজৰ সজাটিলৈ? মোৰ কাষলৈ? কিবা এটি অজান ভাৱনা আৰু আশাত আজিও কুলি দুৱাৰ আগৰ দৰেই খোলাই ৰাখিছোঁ!—

0 0 0

# গল্প

## —ঃ অফুৰন্ত মৰম ঃ—

মিচ্ নীলিমা ৰায়
স্নাতক মহলা প্ৰথম বাৰ্ষিক।

ৰীতা, জীনা আৰু মোক নমিতাই সিঁহতৰ ঘৰলৈ প্ৰায়ে মাতি থাকে। আমিয়ে সময় উলিয়াব নোৱাৰি যাব পৰা নাছিলো। কিন্তু স্কুল বন্ধ থকা বাবে আমি তিনিজনী আজি সিহঁতৰ ঘৰলৈ যাবলৈ ওলালোঁ। সিহঁতৰ ঘৰ পাই কলিংবেল বজোৱাৰ লগে লগে নমিতাই দুৱাৰ খুলি আমাক সম্মুখত দেখি অলপ আচৰিতেই হৈছিল।

'অ' তহঁত। মই আৰু আন কোনোবা আহিছে বুলিহে ভাবিছিলোঁ। আহ আহ-' বুলি হাঁহি হাঁহি নমিতাই আমাক ভিতৰলৈ মাতি নি বহিবলৈ দিলে।

বহিবলৈ দি নমিতাই ক'লে—তহঁতে আজিহে আহিবলৈ সময় পালি? মা-দেউতা নাই: অকল ভাইটি আৰু মইহে ঘৰত আছোঁ। ভাতে আক' ৰীতাকো লৈ আহিছ। তাই আমাৰ ঘৰলৈ আজিহে প্ৰথম আহিছে। ইফালে মা নাই। এতিয়া মই কি খুৱাওঁ তহঁতক?"

ঠিক সেই সময়তে ভিতৰৰপৰা "বাইদেউ মই লুকালোঁ নহয় নিবিচিৰা কেলেই?" বুলি চিঞৰি মতা শুনিলোঁ। সেইটো তাইৰ ভয়েকৰ মাত। মাতটো তাৰ বৰ মৰম লগা।

